সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ২১ সংখ্যা, ১০ জেঠ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 21 Date of Publication- 25 May 2025 Rs. 10.00/-

## ৰক্ষকে ভক্ষকঃ শ্ৰীভূমিৰ কাৰাগাৰৰ চৌহদত আৰক্ষীয়ে ধৰ্ষণ কৰিলে বিশেষভাৱে সক্ষম মহিলাক



ৰঙিলী বাৰ্ত্তাসেৱা- এটা লজ্জা-জনক ঘটনাই কঁপাইছে সমগ্ৰ অসম। শ্ৰীভূমি কাৰাগাৰৰ চৌহদত দলবদ্ধ যৌন নিৰ্যাতনৰ এক চাঞ্চল্যকৰ অভিযোগ পোহৰলৈ আহিছে। এগৰাকী বিশেষভাৱে সক্ষম মহিলাক দলবদ্ধ ধৰ্ষণৰ অপৰাধত গ্ৰেপ্তাৰ হয় দুজন আৰক্ষী কনিষ্টবল। শ্ৰীভূমি জিলা কাৰাগাৰৰ দুই বাৰ্ডেনৰ বিৰুদ্ধে বিশেষভাৱে সক্ষম এগৰাকী মহিলাক দলবদ্ধ ধৰ্ষণৰ গুৰুতৰ অভিযোগ উঠিছে। এই অভিযোগৰ ভিত্তিত শ্ৰীভূমি আৰক্ষীৰ জালত ধৰা পৰে কাৰাগাৰৰ দুই কনিষ্টবল। মাজনিশা শ্ৰীভূমি কাৰাগাৰ চৌহদৰ এটা কোঠাত এই জঘন্য কাণ্ড সংঘটিত কৰাৰ অপৰাধত গ্ৰেপ্তাৰ হয় দুজন কনিষ্টবল। নিশা পহৰা দি থকা আৰক্ষীয়ে দুয়োজনক ধৰি শ্ৰীভূমি সদৰ থানালৈ লৈ যায়। ধৃত দুজন হৈছে গজেন্দ্ৰ কলিতা আৰু হৰেশ্বৰ কলিতা। জানিব পৰা মতে, আৰক্ষীয়ে সম্প্ৰতি দুয়োকে থানাত আবদ্ধ কৰি জেৰা অব্যাহত ৰাখিছে। শ্ৰীভূমি জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে সংবাদ মেল অনুষ্ঠিত কৰি ঘটনা সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰে। তেওঁ জনোৱা মতে, প্ৰাথমিক তদন্তত জানিব পৰা গৈছে যে সেই সময়ত জে'লৰ অভিযুক্ত কনিষ্টবল দুজন কৰ্তব্যৰত অৱস্থাত আছিল। তেতিয়া মানসিকভাৱে অস্থিৰ অৱস্থাত কাৰাগাৰৰ চৌহদত ঘূৰি ফুৰা এগৰাকী মহিলাক কাৰাগাৰৰ বেৰেকলৈ লৈ গৈ ধৰ্ষণ কৰে। (দহ পৃষ্ঠাত চাওক)

## মৰিগাঁৱৰ পৰা ৯ জন পলাতক বাংলাদেশীক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও আৰক্ষীয়ে বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে চলোৱা এক অভিযানত ৯জন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰে। মৰিগাঁও সীমান্ত শাখা আৰক্ষীয়ে জিলাখনৰ কেইবাটাও স্থানত অভিযান চলাই এই বাংলাদেশী নাগৰিক কেইজনক গ্ৰেপ্তাৰ কৰে। মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণে ইতিমধ্যে বাংলাদেশী নাগৰিক ঘোষণা কৰা এই লোককেইজন দীৰ্ঘদিন ধৰি পলাতক হৈ আছিল। মৰিগাঁৱৰ সীমান্ত শাখাৰ আৰক্ষীয়ে এক গোপন অভিযান চলাই মৰিগাঁও থানাৰ অন্তৰ্গত উছমান আলী, জয়নাল আবেদিন, মিকিৰভেটা থানাৰ অন্তৰ্গত আব্দুল খাই, খাইৰুল ইছলাম, (দহ পৃষ্ঠাত চাওক)

## মহানগৰীৰ ওদালবাক্ৰাত বিধ্বংসী অগ্নিকাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগীৰৰ ওদালবাক্ৰাত এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। এই বিধ্বংসী অগ্নিকাণ্ডত পাঁচখনকৈ দোকান আৰু এখন টাটা হুম' বাহন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। (দহ পৃষ্ঠাত চাওক)

## জিএমচি-জিএমডিএৰ বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতাৰ বাবে দুৰ্ভোগ ভুগিছে ৰাইজে

ৰঙিলী বাৰ্ত্তাসেৱা- পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকাৰীৰ বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতাৰ বাবে বছৰৰ পিছত বছৰ ধৰি আহোমগাঁও-ধলবমা অঞ্চলটোত বসবাস কৰা লোকসকলে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি আহিবলগীয়া হৈছে। ধলবমা-আহোমগাঁও সংযোগী পথত বসবাস কৰা লোকসকলে সাধাৰণ এজাক বৰষুণতে বিগত কেইবাবছৰ ধৰি কৃত্ৰিম বানৰ মাজেৰে বিপদসংকুলভাৱে যাতায়াত কৰি আহিছে। বৃহত্তৰ অঞ্চলটোত বসবাস কৰা লোকসকলে পথ মেৰামতি আৰু বিজ্ঞানসন্মত নলা-নৰ্দমা নিৰ্মাণৰ বাবে জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন নিবেদন কৰি আহিছে। কিন্তু আজি পৰ্যন্ত এই ক্ষেত্ৰত কোনোৱে গুৰুত্ব প্ৰদান কৰা নাই। যাৰ ফলত অঞ্চলটোত বসবাস কৰা লোকসকলে সাধাৰণ এজাক বৰষুণতে কৃত্ৰিম বানৰ মাজেৰে জৰাজীৰ্ণ পথেৰে যাতায়াত কৰি আহিবলগীয়া হৈছে। উক্ত অঞ্চলটোত শিল্পী, সাহিত্যিক, অধ্যাপক, মন্ত্ৰী, বিধায়ক, অধিবক্তাকে ধৰি বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত লোকসকলে বসবাস কৰি আহিছে। কিন্তু জিএমচি আৰু জিএমডিএৰ বিষয়া-কৰ্মচাৰীৰ অৱহেলা আৰু অদূৰদৰ্শিতাৰ বাবে অঞ্চলটোৰ বাসিন্দাসকলে জৰাজীৰ্ণ পথত সৃষ্টি হোৱা কৃত্ৰিম বানৰ মাজেৰে যাতায়াত (দহ পৃষ্ঠাত চাওক)

## দেশত পুনৰ ভয়াবহ ৰূপত ক'ভিড-১৯



ৰঙিলী বাৰ্ত্তাসেৱা- দেশত পুনৰ ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পাইছে। বিশ্ব স্বাস্থ্য সংস্থাই ক'ভিড-১৯ৰ নতুন উপ-প্ৰকৰণক লৈ শংকাৰ কাৰণ নাই বুলি উল্লেখ কৰিলেও চীন আৰু এছিয়াৰ বিভিন্ন প্ৰান্তত এই ভাইৰাছৰ সংক্ৰমণ উদ্বিগ্নতাৰ কাৰণ হৈ উঠিছে। ভাৰততো ক'ভিড-১৯ৰ এনবি ১.৮.১ আৰু এলএফ.৭ প্ৰকৰণত আক্ৰান্ত লোক চিনাক্ত হৈছে। ভাৰতীয় ছাৰছ-ক'ভ-২ জেন 'মিক কনছৰ্টিয়াম, চমুকৈ ইনছাক'গৈ প্ৰকাশ কৰা তথ্য অনুসৰি (দহ পৃষ্ঠাত চাওক)

# SeSTA গ্ৰীণ মিলিয়ন অভিযান




ৰঙিলী বাৰ্ত্তাসেৱা- জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজিবলৈ আৰু গ্ৰাম্য জীৱিকা বৃদ্ধিৰ বাবে SeSTA-এ অভিলাষী এক মিলিয়ন গছ বাগিচা অভিযান আৰম্ভ কৰিছে, যাৰ নাম “SeSTA Green Million”। যোৱা ১০ মে’ত ছেভেন চিষ্টাৰছ ডেভেলপমেণ্ট এচিষ্টেশ্যনে (SeSTA) নিম্ন অসমৰ চাৰিখন জিলা বাক্সা, বঙাইগাঁও, ধুবুৰী আৰু চিৰাঙত SeSTA Green Million নামেৰে এক অভিলাষী ৰ মিলিয়ন গছ বাগিচা অভিযান আৰম্ভ কৰে। এই পদক্ষেপৰ লক্ষ্য হৈছে জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰা, জৈৱ বৈচিত্ৰ্য বৃদ্ধি কৰা, আৰু পৰৱৰ্তী বছৰত ১০ লাখ গছ ৰোপণ কৰি প্ৰান্তীয় গ্ৰাম্য পৰিয়ালৰ জীৱিকা উন্নত কৰা। এই অভিযানত ফলমূল আৰু কাঠৰ গছকে ধৰি থলুৱা আৰু উচ্চ মূল্যৰ প্ৰজাতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, যিয়ে পৰিৱেশ পুনৰুদ্ধাৰত অৰিহণা যোগাব আৰু ক্ষুদ্ৰ কৃষক আৰু মহিলা নেতৃত্বাধীন পৰিয়ালসমূহক দীৰ্ঘম্যাদী অৰ্থনৈতিক সুবিধা প্ৰদান কৰিব। অৱক্ষয়ী ভূমি, কমিউনিটি কমন, আৰু হোমষ্টেডক লক্ষ্য কৰি এই পদক্ষেপে দীৰ্ঘম্যাদী বহনক্ষমতা নিশ্চিত কৰিবলৈ বৈজ্ঞানিক পৰিকল্পনাৰ সৈতে পৰম্পৰাগত পৰিৱেশ জ্ঞানৰ সংমিশ্ৰণ ঘটায়। এই অভিযান কেৱল গছ ৰোপণৰ বিষয়ে নহয়-ই আশা, মৰ্যাদা আৰু স্থিতিস্থাপকতা ৰোপণৰ বিষয়। SeSTAৰ এগৰাকী (দহ পৃষ্ঠাত চাওক)

# উত্তৰ গুৱাহাটী বিহলঙনী বৰনামঘৰত আৰম্ভ হৈছে দশম কামৰূপ জিলা টাইকোৱাণ্ডো চেম্পিয়নশ্বিপ



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ গুৱাহাটী বিহলঙনী বৰনামঘৰ খেলপথাৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে দশম কামৰূপ জিলা টাইকোৱাণ্ডো চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাত কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ পৰা প্ৰায় ৫০০তকৈ অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানটো শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী হিৰণ্য বৰা আৰু নিৰঞ্জন বৰাই। অনুষ্ঠানটোত সভাপতিত্ব কৰে কামৰূপ জিলা টাইকোৱাণ্ডো এছোচিয়েছনৰ সম্পাদক প্ৰাঞ্জন বুঢ়াগোহাঁয়ে। এই প্ৰতিযোগিতাত ৮ বছৰৰ অনুৰ্ধ্ব চাব-জুনিয়ৰ, কেডেট, মেডিয়াম, চাব-গাৰ্ল্ছ, আৰু ছিনিয়ৰ শাখাত বিভিন্ন ইভেণ্ট অনুষ্ঠিত হ’ব। বিশেষ অতিথি (দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান..

# কালি আজি আৰু কালিলৈ

দেৱাশীষ গোস্বামী, নগাঁও




কালি কি হৈ গ’ল? আজি কি হৈ আছে? কালিলৈ কি হ’ব? কাৰোৰেই ভ্ৰুক্ষেপ নাই, চিন্তাৰ পৰিধিৰ বাহিৰত। সকলো আত্মকেন্দ্ৰীক, মগন নিজৰ মাজতে। স্বাৰ্থ কেন্দ্ৰীক চিন্তাধাৰা মন মগজুত। শাসনৰ বাঘজৰী, সম্পত্তি আহৰণৰ প্ৰত্যক্ষ/পৰোক্ষ প্ৰতিযোগীতা, পৰকীয়া প্ৰেম, সমাজত নিজৰ প্ৰতিপত্তি জাহিৰ কৰাৰ অঘোষিত প্ৰতিযোগীতাত আজি আমাৰ সভ্য(?)সমাজখন তেনেই ধাৰাশায়ী।

ধাৰাশায়ী সুচিন্তা ধাৰাৰ দেশৰ প্ৰকৃত নাগৰিক সকল। ধাৰাশায়ী শিক্ষাগুৰু তথা মাক দেউতাকৰ সুশিক্ষা, আদৰ্শেৰে নিজকে সুসন্তান হিচাপে প্ৰতিষ্ঠা লভি মানৱ জাতিক গৌৰান্বিত কৰি মুৰ দাঙি আগুৱাই যাব খোজা সু সন্তান সকল।

গৰিষ্ঠ সংখ্যকৰ উন্মাদ আচৰণত ভীতিগ্ৰস্ত আমিবোৰ, ক্ৰমাত দানৱলৈ পৰ্য্যবশিত হ’বলৈ ধৰা আমিবোৰৰ মাজৰ কিছু সংখ্যকৰ মানৱতাৰ জয় গান গোৱাৰ দুৰ্বাৰ হেপাঁহ। প্ৰদূষিত, কলুষিত মন মগজুবোৰ নিকা কৰাৰ কি যে দুৰ্বাৰ প্ৰচেষ্টা।

পিছে ধৃতৰাষ্ট্ৰ ৰুপি আমিবোৰ নিমাত আজি। আত্মকেন্দ্ৰীকতাৰ উৰ্ধত আমাৰ আচৰন, কৰ্মকাণ্ড। শত-সহস্ৰজনৰ চকুৰ সন্মুখত, দিনৰ পোহৰতে দানৱ, নৰ পিশাচৰ উদ্ভণ্ডালি। বাধা দিয়াৰ সৎসাহস সুদূৰ পৰাহত।

আশাহত পৰাভূত আমিবোৰ আজি উন্মাদ এচামৰ সন্মুখত। পুনৰ মানৱতাৰ জয় গান গাই এখন শান্ত-সুন্দৰ ধৰণীৰ অপেক্ষাত আমি কেউ-কিছু সভ্য সমাজৰ বাসিন্দা।

সমাজৰ দস্যু-দানৱক পৰাভূত কৰিবলৈ প্ৰয়োজন মাথো জটায়ু পক্ষীৰ মানসিকতা, প্ৰয়োজন ভীমৰ দৰে বজ্ৰ দুহাত, প্ৰয়োজন শ্ৰীকৃষ্ণৰ কূট নীতি, প্ৰয়োজন অগনন হনুমানৰ যিয়েই একো একোখন লংকা নিমিষতে চাৰখাৰ কৰি দিব পাৰে। আমাক প্ৰয়োজন সচাঁ একোএকোজন চুপাৰমেনৰ, স্পাইডাৰ মেনৰ, বেটমেনৰ। প্ৰয়োজন দুৰ্ধৰ্ষ ত্ৰিনয়নৰ, প্ৰয়োজন দস্যু ভাস্কৰৰ।

আইনৰ গণ্ডীৰ ভিতৰত এতিয়াই যদি আমি প্ৰবল জনমত গঢ়ি নুতুলো, কালিলৈ হ’ব পৰা যি কোনো অঘটনৰ বাবে দায়ী আমিবোৰেই।

# নতুন দিল্লীত ‘ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টৰ্ছ ছামিট’ উদ্বোধন প্ৰধানমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ৰাজধানী নতুন দিল্লীৰ ভাৰত মণ্ডপমৰ কেন্দ্ৰীয় ড’নাৰ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত ‘ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টৰ্ছ ছামিট-২০২৫’ শীৰ্ষক বাণিজ্যিক সন্মিলনৰ শুভ উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সন্মিলনখন শুভ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলত নিহিত হৈ থকা বাণিজ্যিক সম্ভাৱনাক লৈ দেশৰ উদ্যোগপতিসকলক উৎসাহিত কৰে। নিজ ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সামগ্ৰিকভাৱে পুব ভাৰতৰ উন্নয়ন অবিহনে উন্নত ভাৰতৰ কেতিয়াও কল্পনা কৰিব নোৱাৰি। আমাৰ বাবে ‘ইষ্ট (EAST) কেৱল এটা দিশ নহয়। ‘ইষ্ট (EAST) সবলীকৰণ (Empower), কাৰ্য সাধন (Act), শক্তিশালীকৰণ (Strengthen) আৰু ৰূপান্তৰ (Transform)। যিয়ে অঞ্চলটোৰ বাবে নীতিগত কাঠামোৰ সংজ্ঞাক সূচিত কৰে। তেওঁ কয় যে এই পন্থাই পুব ভাৰত বিশেষকৈ উত্তৰ-পূবক ভাৰতৰ বিকাশৰ পৰিক্ৰমাত কেন্দ্ৰীয় স্থান হিচাপে প্ৰোথিত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিগত ৰৰ বছৰত উত্তৰ-পূৰ্বাঞ্চলত প্ৰত্যক্ষ হোৱা ৰূপান্তৰশীল পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰি কয় যে এই অগ্ৰগতি কেৱল পৰিসংখ্যাতে প্ৰতিফলিত হোৱা নহয়, বৰঞ্চ তৃণমূল পৰ্যায়তো স্পষ্ট হৈ পৰিছে। অঞ্চলটোৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ সংযোগ কেৱল নীতিগত ব্যৱস্থাতে সীমাবদ্ধহৈ নাথাকি জনসাধাৰণৰ সৈতে আন্তৰিক সংযোগ স্থাপন হৈছে। কেন্দ্ৰীয় মন্ত্ৰীসকলে ৭০০ৰো অধিক ভ্ৰমণত গুৰুত্ব উত্তৰ-পূৰ্বাঞ্চলক বুজি পোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ দায়বদ্ধতা প্ৰদৰ্শন, জনতাৰ আকাংক্ষাৰাজিৰ উমান লোৱা আৰু জনতাৰ আস্থা অৰ্জনেৰে উন্নয়ন নীতিলৈ ৰূপান্তৰিতকৰণত আলোকপাত কৰিছে। আন্তঃগাঁথনি প্ৰকল্পসমূহ কেৱল ইটা আৰু চিমেণ্টৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ ই আৱেগিক সংযোগৰ মাধ্যম হিচাপে কাম কৰিছে। তেওঁ লুক ইষ্টৰ পৰা এক্ট ইষ্টলৈ পৰিৱৰ্তনৰ কথা উল্লেখেৰে কয় যে এই সক্ৰিয় পন্থাই দৃশ্যমান ফলাফল প্ৰদান কৰিছে। এটা সময়ত উত্তৰ-পূৰ্বাঞ্চলক কেৱল ফ্ৰন্টলাইন অঞ্চল বুলি কোৱা হৈছিল। কিন্তু আজি ই ‘বিকাশৰ ফ্ৰণ্ট-ৰানাৰ’ হিচাপে আত্মপ্ৰকাশ কৰিছে। পৰ্যটন খণ্ডক আকৰ্ষণীয় কৰি তোলা আৰু বিনিয়োগকাৰীৰ মাজত আত্মবিশ্বাস জগাই তোলাৰ ক্ষেত্ৰত শক্তিশালী আন্তঃগাঁথনিয়ে এটি মূল ভূমিকা পালন কৰে। সু-বিকশিত পথ, শক্তি আন্তঃগাঁথনি আৰু লজিষ্টিক নেটৱৰ্কে যিকোনো উদ্যোগৰ মেৰুদণ্ড হিচাপে কাম কৰে, যাৰ ফলশ্ৰুতিত নিৰৱচ্ছিন্ন বাণিজ্য আৰু অৰ্থনৈতিক বিকাশৰ সুবিধা প্ৰশস্ত হয়। আন্তঃগাঁথনি হৈছে উন্নয়নৰ




ভেটি আৰু চৰকাৰে উত্তৰ-পূবত আন্তঃগাঁথনিগত বিপ্লৱৰ সূচনা কৰিছে। শান্তি আৰু আইন-শৃংখলা সকলো অঞ্চলৰেই উন্নয়নৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়-আমাৰ চৰকাৰে সন্ত্ৰাসবাদ আৰু বিদ্ৰোহৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। উত্তৰ-পূবত এসময়ত অৱৰোধ আৰু সংঘাতে বিৰাজ কৰিছিল। যাতে পৰিণতিত ইয়াৰ যুৱক-যুৱতীসকলে সুযোগ লাভৰ ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱ পৰিছিল। শান্তি চুক্তি স্বাক্ষৰৰ অৰ্থে (দহ পৃষ্ঠাত চাওক)

# উত্তৰ-পূবত ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজে বিনিয়োগ কৰিব ৭৫ হাজাৰ কোটি




ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা ‘ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টছ ছামিট-২০২৫’ত উপস্থিত থাকি দেশৰ কেইবাজনো আগশাৰীৰ উদ্যোগপতিয়ে উত্তৰ-পূৰ্বাঞ্চলত বৃহৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰাৰ কথা ঘোষণা কৰিছে। ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰিজ লিমিটেডৰ অধ্যক্ষ মুকেশ আম্বানি তাৰ ভিতৰত অন্যতম। সন্মিলনখনত ভাষণ দি আম্বানিয়ে ( নপৃষ্ঠাত চাওক)

# দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। গৃহমন্ত্ৰীৰ চৰকাৰী বাসভৱনত হোৱা সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক লৈ আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীজনে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অসমৰ বিভিন্ন বিষয় সন্দৰ্ভত অৱগত কৰি শেহতীয়াকৈ সমাপ্ত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনত এনডিএৰ বৃহত জয় সন্দৰ্ভত আলোচনাত মিলিত হয়। সাক্ষাৎকালত মুখ্যমন্ত্ৰীজনে বাঁওপন্থী উগ্ৰবাদ দমনৰ ক্ষেত্ৰত চৰকাৰে লাভ কৰা গুৰুত্বপূৰ্ণ সফলতাৰ বাবে গৃহমন্ত্ৰীজনক অভিনন্দন জনায়। ( নপৃষ্ঠাত চাওক)

# পুনৰ ২০০বিধ ঔষধ-ইনজেকচন বাতিল চিডিএছচিঅ’ৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ চেন্ট্ৰেল ড্ৰাগছ ষ্টেণ্ডাৰ্ড কন্ট্ৰোল অৰ্গেনাইজেচন (চিডিএছচিঅ’)-এ প্ৰায় ২০০বিধ ঔষধ-ইনজেকচন বাতিল কৰিছে। বাতিল হোৱা ঔষধসমূহৰ ভিতৰত জ্বৰ, চৰ্দি, কাহৰ পৰা আৰম্ভ কৰি উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণত ব্যৱহাৰ হৈ থকা পৰিচিত বহু দৰব আছে। অকল সেয়াই নহয়, তালিকাত আছে বিভিন্ন প্ৰসাধন সামগ্ৰীও। শেহতীয়াকৈ বাতিল হোৱা ঔষধবোৰৰ প্ৰত্যেকবিধেই অতি পৰিচিত আৰু বহুলভাৱে ব্যৱহৃত ঔষধ। সেইবাবে চিডিএছচিঅ’ৰ তালিকা প্ৰকাশ পোৱাৰ লগে লগে সাধাৰণ জনতাই মূৰে-কপালে হাত দিবলগীয়া হৈছে। বাতিলৰ যি তালিকা প্ৰকাশ কৰা হৈছে তাত আছে ১৯৬বিধ ঔষধ, (দহ পৃষ্ঠাত চাওক)

# ৰাজস্থানৰ বিকানেৰৰ পৰা পাকিস্তানক পুনৰ সকীয়নি প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজস্থানৰ বিকানেৰত ২৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া আৰু নিৰ্মিত কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰি পাকিস্তানক পুনৰ সকীয়নি দিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। পাক সন্ত্ৰাসবাদীৰ ঘাটিত ভাৰতীয় সেনাৰ নিখুঁত আক্ৰমণ অপাৰেচন সিন্দুৰৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২২ এপ্ৰিলৰ পাক সন্ত্ৰাসবাদীৰ নৰসংহাৰৰ প্ৰতিশোধ ২২ মিনিটত লোৱা হৈছে। সিন্দূৰ মচাসকলক ধূলিৰ সৈতে মিলাই দিয়া হৈছে। ২২ মিনিটতে ৯টা সন্ত্ৰাসবাদীৰ ঘাটি মাটিৰে মিলাই দিয়া হৈছে। পাকিস্তানক হুংকাৰ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- পূৰ্বে আমি পাকিস্তানত সোমাই আক্ৰমণ কৰিছিলোঁ । এইবাৰ আমি পাকিস্তানৰ বুকুত আঘাত কৰিছোঁ। প্ৰতিশোধৰ প্ৰতিশ্ৰুতি আমি পূৰণ কৰিলোঁ। সমগ্ৰ বিশ্বৰ সন্মুখত পাকিস্তানৰ মুখা খুলি দিয়া হ’ল। উল্লেখ্য যে ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে ২৫ পৰ্যটকসহ ২৬ নিৰীহক বৰ্বৰতাৰে হত্যা কৰাৰ প্ৰত্যাঘাত হিচাপে ৭ মে’ত ভাৰতীয় সেনাই পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত মিছাইলেৰে আক্ৰমণ কৰি ( নপৃষ্ঠাত চাওক)

# মুকলি আকাশৰ তললৈ চুমি বৰা



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত মুকলি আকাশৰ তললৈ কোটিটকীয়া বিয়াগোম ট্ৰেডিং কেলেংকাৰিৰ অন্যতম মূল অভিযুক্ত চুমি বৰা। সুদীৰ্ঘ ৮ মাহ সময় ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত দিন কটোৱাৰ পিছত বুধবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰাৰ পিছত বৃহস্পতিবাৰে সন্ধিয়া ডিব্ৰুগড়ৰ কাৰাগাৰৰ পৰা বাহিৰলৈ ওলাই চুমি বৰা । জামিন লাভ কৰাৰ খবৰ চৌদিশে বিয়পি পৰাৰ লগে লগে বিয়লিৰে পৰা চুমিৰ আত্মীয়, শুভাকাংক্ষী তথা বহু লোকৰ লগতে সাংবাদিকো ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰৰ সন্মুখত ভিৰ কৰা পৰিলক্ষিত হয়। প্ৰায় ৭ বজাত চুমি এগৰাকী আত্মীয়সহ ক’লা ৰঙৰ টি ছাৰ্ট আৰু ক’লা পেন্টসহ ক’লা টুপী, মুখত ক’লা মাস্ক লগাই কাৰাগাৰৰ বাহিৰলৈ ওলাই আহে। সাংবাদিকৰ কোনো প্ৰশ্নৰ মুখামুখি নহৈ বিয়লিৰে পৰা অপেক্ষাত থকা এখন ক’লা ৰঙৰ স্ক’ৰপিঅ’ গাড়ীত উঠি চুমি গুচি যায়। ট্ৰেডিং কেলেংকাৰিৰ অন্যতম মূল অভিযুক্ত চুমিয়ে বৰবৰুৱা থানাত ৰুজু হৈ থকা ৮৫/২০২৪ নম্বৰ গোচৰটোত গুৱাহাটী উচ্চন্যায়ালয়ে জামিন মঞ্জুৰ কৰে। ইতিপূৰ্বে বিশাল ফুকন, তাৰ্কিক বৰা আৰু চুমিয়ে ডিব্ৰুগড় সদৰ থানাৰ ৩৫২/২০২৪ আৰু ১৯৮/২০২৪ নম্বৰৰ গোচৰ দুটাত জামিন লাভ কৰিছিল। ইফালে এই তিনিটা গোচৰত জামিন লাভ কৰি যোৱা ৩ মে’ত মুকলি আকাশৰ তললৈ ওলাই আহিছিল চুমিৰ পাতি লোৱা ভায়েক বিশাল ফুকন আৰু স্বামী তাৰ্কিক বৰা। উল্লেখ্য যে চুমিয়ে স্বামী তাৰ্কিক বৰাৰ সৈতে অতি নাটকীয়ভাৱে যোৱা ১২ ছেপ্টেম্বৰত আৰক্ষীক ধৰা দিছিল। সেইদিনাই দুয়োকে আদালতত হাজিৰ কৰোৱাৰ ( নপৃষ্ঠাত চাওক)

# নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক বৈঠকত মিলিত হয়। নৰ্থব্লকৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ কাৰ্যালয়ত হোৱা সাক্ষাৎকালত অসমৰ বিকাশৰ ৰূপৰেখাক প্ৰাধান্য দি দ্ৰুতগতিত উন্নয়নেৰে সমৃদ্ধ হোৱা দেশৰ আন ৰাজ্যসমূহৰ ভিতৰত অসমে কেনেদৰে আত্মপ্ৰকাশ কৰিছে সেই বিষয়ে আলোচনা কৰে। লগতে ২০২৭-২৮ চনৰ ভিতৰত অসমে ১০ লাখ কোটি টকাৰ জিএছডিপি গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰিকল্পনাৰ বিষয়েও বৈঠকত আলোচনা কৰে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণক অৰ্থনৈতিক বিকাশত অসমে কেনেদৰে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ বিকশিত ৰাজ্যৰ সমানে আগবাঢ়িছে আৰু এইক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱগত কৰে। ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে অনাগত দিনত কেন্দ্ৰীয় চৰকাৰে এইক্ষেত্ৰত প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে। সেইদৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক সাক্ষাৎ কৰি গুৱাহাটীত আইআইএম কেতিয়া স্থাপন কৰা হ’ব সেই বিষয়েও মন্ত্ৰীগৰাকীৰ সৈতে ( নপৃষ্ঠাত চাওক)

# অসমৰ কনচাৰ্ট পৰ্যটনৰ অৰ্থনীতিত অনুমোদন কেবিনেটৰ




ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকে অসমৰ কনচাৰ্ট পৰ্যটনৰ অৰ্থনীতিত অনুমোদন জনায়। কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক সংবাদ মেলযোগে এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰি কয় যে বৃহৎ পৰিসৰৰ কনচাৰ্ট আৰু সংগীত উৎসৱ আয়োজন কৰিব পৰাকৈ অসমত এক মুখ্য সংগীত আৰু বিনোদন পৰ্যটন কেন্দ্ৰৰ ৰূপত প্ৰতিষ্ঠা কৰাৰ বাবেই এই কেবিনেটে অসমৰ কনচাৰ্ট পৰ্যটনৰ অৰ্থনীতিত অনুমোদন জনাইছে। এই নীতি অনুসৰি উন্নতমানৰ সংগীত স্থানসমূহ বিশ্বমানৰ পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে বিকশিত কৰি তোলা হ'ব আৰু অসম পৰ্যটনে আৱশ্যকীয় ভিজিএফৰে সংগীতানুষ্ঠানসমূহক সমৰ্থন আগবঢ়াব। গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাটত এনে কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত কেবিনেটে অনুমোদন জনায়। এই বছৰৰে ৮ ডিচেম্বৰত গুৱাহাটীত কনচাৰ্ট প'ষ্ট মেলন আহিব। সেইদৰে এই কেবিনেটে অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিচাসমূহৰ চাহ শ্ৰমিকৰ মজুৰি অহা ১ অক্টোবৰৰ পৰা ২৫০ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱতো অনুমোদন জনায়। একেদৰে কেবিনেটে নুমলীগড় ৰিফাইনেৰী লিমিটেডত অসম চৰকাৰৰ অনুমোদিত ইকুইটী বিনিয়োগৰ চতুৰ্থ আৰু চূড়ান্ত পৰ্যায়ৰ বাবে ২০৫.৭২৫ কোটি টকা মুকলিত অনুমোদন জনায়। ইয়াৰ সৈতে অসম চৰকাৰে এনআৰএলৰ প্ৰসাৰৰ বাবে আগতে প্ৰতিশ্ৰুতি আগবঢ়োৱা ৮২৩ কোটি টকাৰ বিনিয়োগ সম্পূৰ্ণ কৰিব। আনহাতে এই কেবিনেটে সৌৰশক্তি উৎপাদনত উৎসাহ প্ৰদানৰ বাবে আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণ ৰূপে ব্যৱহাৰ কৰিবলৈ কেবিনেটে অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি-২০২৫ত অনুমোদন কৰে, যাৰ লক্ষ্য ২০৩০ চনৰ ভিতৰত ৩,৫০০ মেগাৱাট সৌৰ ক্ষমতা উৎপাদন কৰা তথা ৰাজ্যৰ ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগ আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰা। এই নীতিয়ে ঔদ্যোগিক উদ্‌গনি, শক্তি ক্ৰয়, ছিংগল উইণ্ড ক্লীয়াৰেঞ্চ, (নপৃষ্ঠাত চাওক)

# জাতীয় মহিলা পৰিষদ (কামৰূপ মহানগৰ জিলা সমিতি)ৰ স্মাৰকপত্ৰ প্ৰেৰণ



ৰঙিলী বাৰ্তাসেৱা- হেঙেৰাবাৰীস্থিত মহানগৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন "জাতীয় মহিলা পৰিষদ" এ উপস্থিত হৈ অতিৰিক্ত জিলা আয়ুক্তৰ জড়িয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কামৰূপ মহানগৰ জিলা মহিলা জাতীয় পৰিষদৰ সভানেত্ৰী ৰেণু দেউৰী, সম্পাদিকা ৰূপাঞ্জলী পাঠকৰ নেতৃত্বত অহা দলটোত আছিল কামৰূপ মহানগৰ জিলা AJYCP ৰ সম্পাদক সুকুমাৰ বৰ্মন, AJYCP ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্যা ৰিনা বৰুৱা কলিতা, ৰাজ্যিক মহিলা পৰিষদৰ বিত্তীয় সম্পাদিকা প্ৰণালী দত্ত কলিতা, সঞ্জীৱ ৰায় চৌধুৰী (কেন্দ্ৰীয় কমিটীৰ প্ৰচাৰ সম্পাদক)সহ সাতজনীয়া সজাতি দল। অতি শেহতীয়াকৈ দুলীয়াজান অইল ইণ্ডিয়া লিমিটেডৰ ক্ষেত্ৰীয় সীমাৰ অন্তৰ্গত ভূমিত বি এন সিং পেট্ৰল ডিপ'ট সম্পৰ্কীয় এক বিবাদ চলি আছে। বহিৰাগতই থলগীৰিৰ ওপৰত ৰঙা চকু দেখুৱাৰ অভিযোগ উত্থাপন কৰাৰ সমান্তৰাল ভাবে আন্দোলন, বি এন সিং পেট্ৰল পাম্প শ্বিল কৰা, পেট্ৰল পাম্পটোৰ লিজ বাতিল তথা সমগ্ৰ ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ঘোষণাৰ লগতে চৰকাৰ প্ৰশাসনৰ লগত AJYCP ৰ আলোচনা চলি আছে। তাৰ মাজতে তনু শ্বাহী নামৰ মহিলা এগৰাকীয়ে অসম আৰু অসমীয়া জাতীয় সংগঠনৰ নেতৃবৰ্গক উদ্দেশ্যি দৃষ্টিকটু মন্তব্য কৰা অভিযোগ কৰে। চব ফ্ৰী মে খানে ৰালা লৌগ হ্যে, য়ে চব দালাল হ্যে, মাৰ খায়েগা ইত্যাদি অপমান সূচক বাক্যৰে ঐক্যৰ অনাহুত পৰিস্থিতিৰ সৃষ্টি কৰি জাতি-বৰ্ণ-ভাষা-সংস্কৃতিত বিভেদৰ বীজ সিঁচি অসমত ভাতৃঘাতী সংঘৰ্ষ লগাবলৈ (নপৃষ্ঠাত চাওক)

# ৰোশন হকলৈ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ যুৱ শিল্পী জলপানি



ৰঙিলী বাৰ্তাসেৱা- প্ৰতিভাসম্পন্ন যুৱ শিল্পী ৰোশন হকলৈ মূকাভিনয় ক্ষেত্ৰত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ ২০২২-২০২৩ বৰ্ষৰ যুৱ শিল্পী জলপানি (Young Artistes Scholar-ship) আগবঢ়োৱা হৈছে। সৰুৰে পৰা পিতৃ যশস্বী মূকাভিনয় শিল্পী গুৰু মইনুল হকৰ তত্ত্বাৱধানত মূকাভিনয়ৰ শিক্ষা গ্ৰহণ কৰা ৰোশনে বিদ্যালয়ত পঢ়ি থকা সময়ৰে পৰা বিভিন্ন মূকাভিনয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ৰাষ্ট্ৰীয় পৰ্যায়তো মূকাভিনয় পৰিবেশন কৰা ৰোশনে বহু ঠাইত মূকাভিনয় প্ৰদৰ্শন কৰি সমাদৰ লাভ কৰিছে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আয়োজন কৰা নাটকতো অভিনয় কৰিবলৈ সুযোগ পোৱা ৰোশন শিশু নাটকৰ এগৰাকী শিশু শিল্পী হিচাপেও সমাদৃত আছিল। বিভিন্ন (নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় চহৰক আটক ধুনীয়াকৈ সুসজ্জিত কৰাৰ পোষকতা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় পৌৰ নিগমৰ ব'ৰ্ডৰ বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে উপস্থিত থাকে আৰু চহৰখনৰ উন্নয়নমূলক কাম-কাজসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। কৃত্ৰিম বানপানীৰ সমাধান, নলা-নৰ্দমাৰ সু-ব্যৱস্থাপনা, বাট-পথৰ উন্নীতকৰণ, চহৰৰ সৌন্দৰ্যবৰ্ধনকে ধৰি বিভিন্ন বিষয় বৈঠকত আলোচনা কৰি সকলো যাৱতীয় কাম তৎপৰতাৰে ত্বৰান্বিত কৰিবলৈ সংশ্লিষ্ট বিষয়ববীয়াসকলক তেওঁ আহ্বান জনায়। এই সভাত লগতে উপস্থিত আছিল অসম চৰকাৰৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ চৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন প্ৰমুখ্যে অন্যান্য প্ৰতিনিধিসকল আৰু বিষয়ববীয়াসকল।

# বিভিন্ন দল সংগঠনৰ পৰা ৰাইজৰ দলত শতাধিক লোকৰ যোগদান



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ দীঘলীপুখুৰীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত ৰাইজৰ দলৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাইজৰ দলৰ নীতি-আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি কংগ্ৰেছ, বিজেপি, অগপ, আম আদমী পাৰ্টীৰ শতাধিক কৰ্মকৰ্তাৰ লগতে কেইবাজনো গণ্যমান্য ব্যক্তিয়ে ৰাইজৰ দলত (নপৃষ্ঠাত চাওক)




# অসমীয়া ভাষা থাকিলেহে অসমীয়া জাতি থাকিব

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

হয়, অসমীয়া ভাষা থাকিলেহে অসমীয়া জাতি থাকিব।

ভাষা সাহিত্য হল একোটা জাতিৰ "দাপোণ"। সকলো মানুহৰ নিজৰ ভাষা সাহিত্যৰ উৎকৰ্ষ সাধন কৰিবলৈ যুগ যুগ ধৰি চেষ্টা কৰি আহিছে---মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱই হওঁক বা মহাকবি কালিদাস। ইতিহাসৰ পাত লুটিয়াই চালে তাহানিৰ পৰা বৰ্তমানলৈকে বহুত পৰিৱৰ্তন হ'ল। সাহিত্য অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভৱনা নাই। এই কথাষাৰ পদ্মনাথ গোহাঁঞিঞ বৰুৱাই কৈছিল। অসমীয়া ভাষা সাহিত্যত তেওঁৰ যথেষ্ট অৱদান আছে। জোনাকী যুগৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৱে আমাৰ অসমীয়া ভাষাটোৰ কাৰণে সাধুকথাৰ পৰা আৰম্ভ কৰি অলেখ ৰচনাৰ সম্ভাৰ দি থৈ গৈছে। সাহিত্যৰ সৃষ্টিৰ মূলতে হল সমাজত ঐক্য, শান্তি, সম্প্ৰীতি সংস্কৃতিৰ অক্ষুন্ন ৰখা।

সাহিত্য সংস্কৃতিৰ অন্তৰালত জাতিটোৰ লোক সংস্কৃতি থলুৱা শিল্প, উৎসৱ খেল ধেমালি সকলো অন্তৰ্নিহিত হৈ আছে। ঠিক তেনেকৈ অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন গল্পকাৰ, কবি, সাহিত্যিক সকলেও নিজৰ লেখনীত অসমীয়া সাহিত্যৰ জাতিটোৰ আচাৰ ব্যৱহাৰ পৌৰাণিক যুগৰ পৰা বৰ্তমানৰ অৱস্থা সংস্কৃতিৰ বৈশিষ্ট্য দাঙি ধৰিছে। উদাহৰণ হিচাপে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ কথাকে উনুকিয়ালো। তেওঁৰ উপন্যাস মনোমতী, মিৰি জীয়ৰী সুন্দৰ লিখনি, সেই সময়ত অসমৰ আহোম জনগোষ্ঠী, মিৰি জনগোষ্ঠীৰ ইত্যাদিৰ সংস্কৃতিৰ মানুহৰ ৰীতি -নীতি পৰম্পৰা সমাজ ব্যৱস্থা স্পষ্ট লিখনিৰ আভাষ পাওঁ।

গতিকে একোটা জাতিৰ পৰিচয় বহন কৰে সেই জাতিটোৰ ভাষা- সংস্কৃতিৰ জৰিয়তে। আমাৰ দেশ ভাৰতবৰ্ষত বাস কৰা প্ৰতিখন ৰাজ্যৰ বাসিন্দাৰ ভাষা-সংস্কৃতি বেলেগ বেলেগ। আমাৰ অসম এখন বহুল জাতি জনগোষ্ঠীয় ৰাজ্য যদিও অসমৰ পৰিচয় বহন কৰি আহিছে প্ৰধানকৈ অসমীয়া ভাষা-সংস্কৃতিয়ে- বৰ্তমান বিশ্বায়নৰ যুগ। সময়ৰ লগে লগে মানুহৰ ধ্যান -ধাৰণা, ৰুচি- অভিৰুচি সলনি হৈছে। এখন দেশৰ ভাৱধাৰা-সংস্কৃতিৰ প্ৰভাৱ আন এখন দেশত পৰিছে বা আকোৰালি লৈছে, এয়া কোনো ভুল নহয়।

বৰ্তমান আমাৰ অসমীয়া সংস্কৃতিতো বিশ্বায়নৰ প্ৰভাৱ পৰিছে। যাৰ ফলত খোৱা-বোৱা, পিন্ধা-উৰা সকলোতে পশ্চিমীয়া ধৰণ স্পৰ্শ কৰিছে। আজিৰ অসমীয়া খাৰ খাব নজনা হ'ল। ফাষ্টফুড, জুছ ইত্যাদি খাদ্যৰ প্ৰতি মানুহৰ স্পৃহা বাঢ়ি যোৱা দেখিবলৈ পাইছোঁ। মেখেলা-চাদৰ, ধুতি ইত্যাদিৰ ঠাইত চুৰিদাৰ, স্কাৰ্ট, টপ, লংপেন্ট ইত্যাদি সাজপাৰৰ প্ৰচলন বেছি হ'ল। ঠিকে আছে সময়ে বাধ্য কৰিলেও আমাৰ অসমীয়া সাজপাৰ খিনি জাতীয় উৎসৱ বা সামাজিক ৰীতি- নীতিত ব্যৱহাৰ কৰিব লাগিব। বিশ্বায়নৰ প্ৰয়োভৰত আমাৰ ভাষা সংস্কৃতি যাতে উটি ভাঁহি নাযায় তালৈও লক্ষ্য ৰাখিব লাগিব।

বৰ্তমান অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ ৰক্ষাৰ ক্ষেত্ৰত নৱ প্ৰজন্মই আগবঢ়াই আহিব লাগিব। নৱপ্ৰজন্ম অসমীয়া সমাজ সংস্কৃতিৰ ক্ষেত্ৰত সচেতন নহ'লে জাতিটোৰ কাৰণে দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সৃষ্টি হ'ব। তেওঁ লোকেও অনুভৱ কৰিব লাগিব - "আমি অসমীয়া নহও দুখীয়া" এই বাক্য শাৰী। তেতিয়াহে আমাৰ অসমীয়া ভাষা সুৰক্ষিত হ'ব।

**ব্যঙ্গ ৰসিক কবিতা**

## লিমাৰিক

**যমুনা দুলু বৈশ্য**



(১)
মঙ্গলবাৰে মন্দিৰত কল লৈ যাম
মিচ কল দি থাকে কোননো চেনীৰাম
ফোনৰ নাম্বাৰ খুজে
মমীয়ে দিব নোখোজে
বন্ধুবোৰ চাই চিন্তি দিবি ৰাম ৰাম।

(২)
কিছুমানে বন্ধু গঢ়িব আহে স্বাৰ্থত
চিনি পাব পাৰি তেওঁৰ ব্যৱহাৰত
কথাত ভুল নাযাবা
মনটো হ'লে নিদিবা
নামাতিবা তেনে বন্ধু তোমাৰ ঘৰত।

(৩)
বসন্তৰ বা লৈ আছো পথাৰত বহি
খোপাত কপৌ গুজি আটায়ে হাঁহি হাঁহি
হাতত জেতুকা সানি
মেৰিয়াই ৰিহা টানি
আমি নাচিছো বিহু বুলি এপাক আহি ।

(৪)
ফটো উঠি আহিলো বান্ধৱীৰ লগত
বেগটো লৈ যে হাতত
ক'ত পৰিল বেগটো
পাহৰি থাকো কথাটো
আমলখি খাই গুটি লাগিলে গলত ।।

**অনুগল্প**

## ভেদাভেদ



**শৈলেন কুমাৰ,মিৰ্জা**

ৰাতিপুৱা কাকতখন পঢ়ি বৃদ্ধজনে ক'লে "হে ৰৌ আজিকালি সকলোতে যুদ্ধবিগ্ৰহ, হত্যা, হিংসা, উচ্চনীচ, বৈষম্যবাদ " এদিন সকলো নিঃশেষ হৈ যাব। ওচৰত বহি থকা সতীৰ্থজনে ক'লে যিদিনাখনৰ পৰা আমি জাতি ধৰ্ম, উচ্চ নীচ আদি ভেদাভেদ কৰিবলৈ ত্যাগ কৰিম, বহিঃজগতৰ চিন্তন এৰি আত্মচিন্তন কৰিম তেতিয়া সকলোৰে বাবে উদাহৰণ দিব পাৰিম।

# গামোচাৰ এক স্মৰণীয় অধ্যায়



**ইলা ভৰালী ডেকা**

সহজ সৰল মানুহবোৰো এদিন কঠোৰ হ'বলৈ বাধ্য হয়। সকলো সহ্য কৰিব পৰা মানুহো এবাৰ লাহে লাহে সহ্য কৰিব পৰা শক্তি নোহোৱা হৈ যায়। মানুহক নিজতকৈ বহুত বেছি বিশ্বাস কৰা পৰিয়াল আৰু সমাজৰ স্বাৰ্থপৰ মানুহক বিশ্বাস কৰিবলৈ ও এশবাৰ ভাবিব লগা হয়।

এনেকৈয়ে সহজ সৰল মানুহ সময় পৰিস্থিতি অনুসৰি কোনোদিনে সলনি হ'ব নোখোজা মানুহবোৰো সলনি হৈ যায়। সময় পৰিস্থিতি অনুসৰি বাস্তৱ জীৱনৰ তিক্ততাৰ মেঁৰপাকত, পৰিস্থিতিৰ হেঁচাত সময়ৰ ধামখুমীয়াত নিজৰ স্বাৰ্থ পূৰণ কৰিবৰ বাবে চকুৰ আগত বিপদত পৰাত সীতা দেৱীৰ দৰে লক্ষ্মণ ৰেখা পাৰ হৈ ভিক্ষা দিব বিচাৰিলেও নিজৰ বিপদ অনিবাৰ্য।

সন্তানৰ মুখত হাঁহি বিৰিঙাব মাতৃয়ে সদায়ে নিজৰ দুখ বেদনা একাষৰীয়া কৰি কষ্টকো কষ্ট নেভাবি দৈনন্দিন জীৱনত কিমানে অভিমন্যুৰ দৰে চক্ৰবেহু সদৃশ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈ আছে, আমি নাজানো। নাৰীয়ে সৃষ্টি কৰে, নাৰীয়ে ধ্বংস কৰে।

এচাম নাৰীয়ে যদি আকাশ স্পৰ্শ কৰিব হাবিয়াস আন এচামে আকৌ আপোনাৰ নাক কাটি সতীনীৰ যাত্ৰা ভংগ কৰিব বিচৰা নাৰীৰ চক্ৰান্তত মানসিক অশান্তিয়ে জীৱন মৰিচিকাত ভাৰাক্ৰান্ত হয়। শাৰীৰিক অসুস্থতাকো আওকাণ কৰি মাতৃ সুলভ মৰমেৰে আমাৰ পথপ্ৰদৰ্শক হিচাপে গামোচাৰে মৰম আৰু সন্মান প্ৰদান কৰি থকা মুহূৰ্ততে চকুৰ পলকতে উপহাৰৰ টোপোলাৰ গামোচা নোহোৱা কৰিব বিচৰা নাৰীৰ চক্ৰান্তত নাৰী জাতি কলংকিত হৈছো নেকি?

জীৱন মসৃণ কৰিবলৈ এজনীয়ে আন এজনীৰ হাতত হাত ৰাখি খোজত খোজ মিলাই আগবাঢ়িব লাগিব।

# আজিৰ বন্ধুত্ববোৰ



**মিন্টু গোৱলা, লখিমপুৰ, কদম**

পৃথিৱীত বাস বাস কৰা মানুহ সঁচাকৈয়ে বৰ স্বাৰ্থপৰ নিজৰ স্বাৰ্থৰ বাবেই মানুহৰ লগত চিনাকি হয়। বন্ধুত্ব ও নিজৰ স্বাৰ্থৰ বাবেই হয়। নিজৰ প্ৰয়োজন অনুসৰি তোমাক মনত পেলাব। প্ৰয়োজন নহ'লে তোমাক কোন? বুলিও সুধিব নাহে। উদাহৰণ স্বৰূপে- বৰষুণ দি থকা সময়ত আমাক ছাতিৰ দৰকাৰ হয়। কিন্তু বৰষুণ জাক এৰি দিলে সেই ছাতি আমাৰ বাবে অপ্ৰয়োজনীয় হয় পৰে। যাৰ বাবে আমি ছাতিটোক অৱহেলিত কৰি কতবা পেলাই দিওঁ। ঠিক তেনেদৰে আজি বন্ধুত্ব বোৰতো একেই প্ৰয়োজনত তোমাক লাগে আৰু অপ্ৰয়োজনীয় হ'লে তোমাকো অৱহেলিত কৰে।

জীৱন ত মানুহৰ লগত বন্ধুত্ব গঢ়াৰ কে যদি আমি এখন ভাল গ্ৰন্থৰ লগত বন্ধুত্ব গঢ়োঁ। তেনে হ'লে সেই গ্ৰন্থ খনে তোমাক জীৱনৰ বহু কথাই শিকাব। কিন্তু এজন মানুহে তোমাক কি দিব? হয়তো মানুহ জনে দিব তোমাক এটা প্ৰতাৰণা আৰু মিছা বিশ্বাস। য'ত তাৰ কোনো কথাৰ ভৰসা নাথাকে। কিন্তু এখন গ্ৰন্থ তোমাক দিব পাৰে নিজৰ আত্মবিশ্বাস আৰু কৰ্মস্পীহা, আদৰ্শ, বিশ্বাসী, দৃঢ়মনা ইত্যাদি কৰি তুলনাত সহায় হয়। যি কেতিয়াও প্ৰতাৰণা নকৰে। আনকি তোমাৰ পৰা দূৰত কেতিয়াও আঁতৰি নাযায়।

আজি প্ৰেম বোৰতো এক স্বাৰ্থৰ প্ৰেম সকলো নিজৰ স্বাৰ্থ জৰিয়তে হয় থাকে। যেতিয়া লৈ সেই স্বাৰ্থ পূৰণ নহয়। তোমাক বহু সপোন দেখাব আৰু বহু মিছা সপোন দেখুৱাব। কাৰণ তোমাৰ বাবে তাই বা সি নিজৰ স্বাৰ্থ হে পূৰণ কৰিছে। যাৰ বাবে অকল তোমাক সপোন হে দেখুৱাছে। সেই সময় তোমাৰ লগত মাত্ৰ দুদিনীয়া হয় যাৰ বাবে নিজৰ স্বাৰ্থ পূৰণ হ'লে। তেওঁ লোক তোমাক অকলশৰীয়া কৰি আঁতৰি গুচি যায়। যাৰ বাবে নিজৰ বিশ্বাস আৰু সপোন বোৰ ভাগি থৈ গুচি যায়। এইবোৰ প্ৰভাৱ আজি কালিৰ প্ৰেমত বেছিকৈ পৰা বাবে মানুহ মন বোৰ সোনকালেই ভাগি পৰে আৰু নিজৰ সিদ্ধান্ত নিজেই ল'ব পৰা নহয়। নিজকে হত্যা কৰি পেলাই।

কাৰণ আজিকালিৰ মানুহ বোৰ নিজৰ লগত হোৱা ঘটনাক লৈ বেছি চিন্তিত হৈ পৰে আৰু সেই চিন্তা নিজকে কোঙা কৰি নিজৰ জীৱন ধ্বংস কৰে।

এজন মানুহে তেতিয়া কাৰোবাৰ জীৱনৰ বাবে ভাৱে এজন মানুহে সদায় অকলশৰীয়া হয়। কাৰণ তুমি তেওঁৰ জীৱনৰ কথা ভাবি তেওঁক জীৱনত কি কৰিবলৈ সাহস দিবা। তেওঁ সেই সাহস পাই যদি জীৱনত সফলতা অৰ্জন কৰিছে। তেনে হ'লে তোমাৰ প্ৰতি তেওঁ কিবা নহয় কিবা অজুহাত দেখাই তোমাক অপমানিত কৰিব ও পাৰে। কাৰণ আজি দিনত কাকো বিশ্বাস কৰিব নোৱাৰি। বিশ্বাস কৰিব পৰা মানুহ দুজন হৈছে তোমাৰ মা দেউতা। সেই বাবেই তুমি আনক সহায় কৰা আগত নিজৰ মা দেউতাৰ কথাৰ প্ৰতি গুৰুত্ব ৰাখিব লাগে। এই পৃথিৱীত বিশ্বাসঘাটকতা মানুহ বহুত পাবা কিন্তু বিশ্বাস কৰিবলৈ তুমি বিশ্বাসযোগ্য মানুহ কতো বিচাৰি নোপোৱা। আজি মানুহে মানুহৰ বোজা হৈ পৰিছে যাৰ বাবে মানুহে অৱহেলিত হ'ব লগা হয়।

উদাহৰণ স্বৰূপে- এজন ব্যক্তিক তুমি যদি তেওঁৰ ভালৰ বাবে যত্ন লোৱা বা ভাল কাম এটা কৰিব শিকোৱা তেন্তে তেওঁ তোমাৰ লগত দুদিনমান ইমান মনোযোগ দি কাম কৰিব আৰু তোমাৰ মনত এটি বিশ্বাস জগাই দিব মই কৰিব পাৰিম বুলি। যেতিয়া তেওঁ সেই কামতো সম্পূৰ্ণৰূপে তোমাৰ পৰা শিকি ল'ব তাৰ পাছত ব্যক্তিজনৰ তোমাৰ প্ৰতি ঈৰ্ষা জাগে। তেতিয়াই তোমাক অৱহেলিত কৰিবলৈ আৰম্ভ কৰিব। যি জন ব্যক্তিয়ে আগত তুমি যিমানেই বুজোৱা সি তোমাৰ বুজনি সোনকালেই বুজি লৈছিল। কিন্তু এতিয়া তেওঁ তোমাৰ কথা বোৰ বোজা হৈ পৰা বাবেই হয়তো শুনিবলৈ মন নকৰে। তেতিয়া তোমাক তেওঁ বিভিন্ন ধৰণৰ কথা কৈ তোমাৰ মনত দুখ দিবলৈ চেষ্টা কৰিব পাৰে। যিবোৰ কথা তুমি তেওঁৰ মুখৰ পৰা শুনিব নিবিচাৰা সেই বোৰ কথা শুনিব পাবা। তেতিয়া তুমি মনত ৰাখিব তুমি অৱহেলিত হৈছা আৰু অকলশৰীয়া হোৱাৰ সময় নিশ্চয়ে ওচৰ আহিল। তেতিয়া সেই ঠাই আৰু সেই বন্ধুত্ব বা সম্পৰ্কৰ পৰা তুমি নিজেই আঁতৰি অহা দৰকাৰ। য'ত তোমাৰ স্থান নাই তাত তুমি থকাৰ কোনো প্ৰয়োজন নাই। সেই বাবেই অকলশৰীয়া কৈ থাকিবলৈ শিকিব লাগে। অকলশৰীয়া কৈ যদি থকা তেনে হ'লে চিন্তা বোৰ কেৱল তোমাৰ বাবেই হ'ব। না আগৰ দৰে কাৰোবাক হেৰুওৱাৰ ভয় থাকিব, না কাৰোবাৰ পৰা কথা শুনিবলৈ থাকিব, না কোনোবাই তোমাক অৱহেলিত কৰিব, না তুমি অৱহেলিত হ'বা। একো নাথাকে যদি তুমি অকলশৰীয়া কৈ থাকিব পাৰা। অকলশৰীয়া সময় কণত যদি এখন ভাল গ্ৰন্থ লগত আছে তেন্তে তোমাক কেৱল জীৱনৰ কথা বোৰে জীৱনৰ পথ বাছি দিব পাৰে।

মানুহৰ আবেগ বোৰেই কেতিয়াবা অনুভৱ হৈ পৰে। অনুভৱ বোৰেই কেতিয়াবা মানুহৰ সপোন হৈ পৰে।

# এখনি আকাশ



**মেৰী বৰদলৈ, নগাঁও**

আমাক এখনি  
আকাশ দিয়া  
য'ত গাঁঠি যাব পাৰোঁ  
মনৰ এটি দুটি গাঁথা  
আমাক এখনি  
নিৰ্মল আকাশ দিয়া  
য'ত আঁকিব পাৰোঁ  
আমাৰ সপোনৰ  
এখনি ৰামধেনু  
সাতোবৰণীয়া  
আমাক এখনি  
আকাশ দিয়া  
য'ত হাঁহিব পাৰোঁ  
আকাশৰ নীলা নীলাবোৰ  
দুচকুত আঁৰি লৈ  
হম আপোনপাহৰা  
আমাক এখনি  
নীলা আকাশ দিয়া  
মুকলি আকাশৰ বুকুত  
খন্তেক জিৰাব পৰাকৈ  
এখনি নীলা আকাশ দিয়া...

# হৃদয়ৰ বিজ্ঞাপন



**অসীম জ্যোতি দাস, মৰিগাঁও**

মই দিয়া নাছিলো হৃদয়ৰ বিজ্ঞাপন  
তুমি নিজেই আহিছিলা বিশ্বাসৰ চাৰ্টিফিকেট লৈ  
দিছিলোঁ হৃদয়ৰ বৰঘৰত স্থান  
চিনিব পৰা নাছিলোঁ তোমাৰ বিশ্বাসৰ ভেজাল চাৰ্টিফিকেট খন ।  
চিনিবলৈ অক্ষম হৈছিলো তোমাৰ কৃত্ৰিম হাঁহি  
তোমাৰ প্ৰতাৰণাৰ বৰদৈচিলা জনীয়ে  
হৃদয়খন তচ-নচ কৰিব বুলি  
সপোনৰো অগোচৰ আছিল,  
কিন্তু !  
দুৰ্ঘটনা বোৰ আগজাননী নিদিয়াকৈয়ে আহে  
দুৰ্ঘটনাবোৰ সংশোধনীৰ এক শিক্ষা,  
জীৱনৰ এক এৰাব নোৱাৰা শিক্ষা ।  
সেইবাবে এইবাৰ ভাবিছোঁ !  
যদিহে ভৱিষ্যতে দিওঁ হৃদয়ৰ বিজ্ঞাপন  
তেনেহলে বি:দ্ৰ: ত লিখিম  
বিশ্বাসঘাটকতা কৃত্ৰিম হাঁহি  
আৰু প্ৰতাৰণাৰ চাৰ্টিফিকেট বোৰ ৰিজেক্ট কৰা হ'ব।

সত্যমেৱ জয়তে
অসম চৰকাৰ

JANASANYOG- 274/25/25-May-25

# ই-খাজনা

## ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ

ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী তথা সুগম কৰাৰ লক্ষ্যৰে
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰে জনসাধাৰণৰ বাবে লৈ আহিছে
**অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধ ব্যৱস্থা**

- পট্টাদাৰে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে খাজনা পৰিশোধ কৰিব পাৰিব
- পট্টাদাৰসকলে অনলাইন e-Khazna যোগে বা অফলাইন CFR যোগে আদায় দিব পাৰিব ভূমি ৰাজহ
- অনলাইন e-Khazna যোগে খাজনা পৰিশোধ কৰিব নোৱাৰা পট্টাদাৰৰ বাবে কৰা হৈছে এই ব্যৱস্থা
- কৰ্মসূত্ৰে বা আন কাৰণত বাহিৰত বসবাস কৰা পট্টাদাৰে অনলাইনযোগে e-Khaznaৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব
- সকলো জিলাৰ সমূহ মৌজাদাৰ/ তহচিলদাৰৰ কাৰ্যালয়ত এই ব্যৱস্থা কৰা হৈছে

ভূমিৰ ৰাজহ
অনলাইন পৰিশোধ কৰিবলৈ
QR ক'ড স্কেন কৰক

**আজিয়েই**
**আপোনাৰ ভূমি ৰাজহ**
**আদায় দিয়ক**

মোবাইলৰ সহায়ত QR ক'ড স্কেন → ই-খাজনা প'ৰ্টেল → পে' (যদি ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে) বা খাজনা আদায় দিবলৈ পঞ্জীয়ন কৰক

Exclusive/2024-25/10

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

যোৱাখণ্ডৰ পৰা...

# প্ৰতাৰিত সময়ৰ দিনলিপি

যুগান্ত দাস,
ভৱানীপুৰ, বজালী



মাই এদিন সংসাৰৰ বেহা সামৰি আমাৰ মাজৰ পৰা আঁতৰি গ'ল চিৰদিনৰ বাবে। যোৱাৰ সময়ত মনত লৈ গ'ল এটা দুখ। যি দুখ নিবাৰণৰ হাজাৰ চেষ্টা কৰিও মই বিফল হৈছিলো। মাৰ আশা পূৰণ কৰিব নোৱাৰাটো মোৰেই অক্ষমতা। মই মোৰ অক্ষমতাৰ বাবেই মাৰ শেষ দিন কেইটা সুখৰ কৰি তুলিব নোৱাৰিলো। নাতি এটাৰ মুখ চোৱাৰ মাৰ হেঁপাহ অপূৰ্ণ হৈয়ে থাকি গ'ল। বিয়াৰ সাতবছৰ পিছতো আমাৰ কোনো ল'ৰা ছোৱালী হোৱা নাছিল। এইলৈ কিন্তু মাই কোনোদিনে বোৱাৰীয়েকক এষাৰো টান কথা শুনোৱা নাছিল। সচৰাচৰ এনেকুৱা ক্ষেত্ৰত শাহুৱেকে বোৱাৰীয়েক খোজে প্ৰতি কথা শুনাই. কিন্তু মা আছিল সম্পূৰ্ণ বিপৰীত। তেওঁ কথা শুনোৱাৰ সলনি বোৱাৰীয়েকক ভাঙি নপৰিবলৈ উপদেশ দিছিল। তেওঁ বোৱাৰীয়েকক কৈছিল-" সকলো ঈশ্বৰৰ ইচ্ছা। আমি কেৱল নামমাত্ৰহে। তুমি ভাঙি নপৰিবা। চাবা এদিন ঈশ্বৰে চকু মেলি চাব। নাতিৰ মুখ চাইহে মৰিম মই।" মাৰ এই কথাখিনি শুনি মই অসহায় অনুভৱ কৰিছিলো। সেই সময়ত মোৰ এনে লাগিছিল যেন পৃথিৱীত আৰু মোতকৈ কোনো অসহায় লোক নাই। যিয়ে মাতৃৰ শেষ ইচ্ছা কোনোদিনেই পূৰণ কৰিব নোৱাৰে। মা গ'ল গৈ মনত দুখ এটা কঢ়িয়াই।

মাৰ শূন্যতাই ঘৰখন আৱৰি ধৰিলে। প্ৰতিটো কোঠাতেই যেন মাৰ হুমুনিয়াহবোৰ ঘুৰি ফুৰিব ধৰিছে মোৰ এনে লাগে। প্ৰতি মুহূৰ্তে মাৰ অশৰীৰী উপস্থিতি অনুভৱ হয়। মাই যেন এতিয়াও অপূৰ্ণ আশাৰ পানচৈ বজাই মোৰ সোঁৱে বাওঁৱে ঘুৰি ফুৰে। মোক ক'ব বিচাৰে 'জয় বংশৰ প্ৰদীপ গছি নুমাবলৈ নিদিবি।' মোৰ নাম জয়জিৎ যদিও মাই মোক জয় বুলিয়েই মাতিছিল।

দিনবোৰ যেনেতেনে আগবাঢ়ি গৈ থাকিল। মৃত্যুৰ পিছতো মাৰ আত্মাক শান্তি দিব পৰাৰ শকতি মোৰ নাছিল।

পিতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত হোৱাৰ সৌভাগ্য মোৰ নাছিল যিটো কথা মই বিয়াৰ দুবছৰ পিছতেই গম পাইছিলো। এই কথাটো মই মোৰ পত্নীৰ পৰাও লুকুৱাই ৰাখিছিলো। পিতৃ হোৱাৰ দুৰ্বাৰ বাসনাক মই কোন কাহানিবাই জলাঞ্জলি দি বুকুত বিষাদৰ বোজা কঢ়িয়াই জীয়াই আছিলো। এদিন হঠাৎ মোৰ পত্নীয়ে মোক ক'লে তাই হেনো মাক হ'ব ওলাইছে। এই কথাটোৱেই মোৰ সকলো খেলি মেলি লগাই দিলে। যিটো কথাত মই আনন্দত আত্মহাৰা হৈ উঠিব লাগিছিল সেই কথাটোৱে কিন্তু মোক অন্য এক চিন্তাৰ মাজলৈহে লৈ গৈছিল। পত্নীৰ মুখৰ পৰা শুনা কথাষাৰে মোক কুটি কুটি খাব ধৰিছিল । মই মনৰ ভিতৰতে চিৎকাৰ কৰি উঠিলো-"এয়া প্ৰৱঞ্চনা।" মোৰ অস্থিৰতাবোৰ বাঢ়ি যাব ধৰিলে । কিন্তু পত্নীৰ আগত মোৰ মনৰ অৱস্থাটো প্ৰকাশ কৰিবও নোৱাৰোঁ, নহ'লে যে মই ধৰা পৰি যাম। কোনো কামতেই মোৰ মন নবহা হ'ল । জীৱনৰ প্ৰতি চৰম বিতৃষ্ণা উপজিল। মা দেউতাৰ পিছত যাক আপোন বুলি আঁকোৱালি লৈ জীৱন যাত্ৰাৰ খোজবোৰ দি গৈছিলো সেই গৰাকীয়েও অৱশেষত প্ৰতাৰণা কৰিলে। জানো সকলো নাৰীৰেই মাতৃ হোৱাৰ দুৰ্বাৰ ইচ্ছা বুকুৰ কোণত উকমুকাই থাকে । সেই ইচ্ছা পূৰণৰ বাবে স্বামীক প্ৰতাৰণা কৰা কি উচিত? এটা কথাই মোক ব্যতিব্যস্ত কৰি তুলিলে। সেই কথাটো হ'ল কোন মোৰ পত্নীৰ গৰ্ভত থকা সন্তানৰ পিতৃ। মুখ খুলি কথাটো সুধিবও নোৱাৰো। অসহায় মই। মন মগজুৰ খকা খুন্দাত মই বিধ্বংস্ত। অৱশেষত মই নিজকে প্ৰবোধ নিয়ালো যে যি হ'ল হ'ল আৰু সমাজে অন্তত এয়া মোৰ সন্তান বুলিয়ে স্বীকৃতি দিব। মুৰৰ পৰা অন্তত এটা বদনাম আঁতৰিব।

কথাবোৰ সহজভাৱে ল'বলৈ আগবাঢ়োতেই মোৰ চকুৰ আগত এটা আচৰিত সত্য উন্মোচিত হ'ল। মোৰ নিজৰ চকু আৰু কাণ দুখনে মোক বিশ্বাস ঘাতকতা কৰা নাইতো মোৰ পত্নী ইমান তললৈ নামিব পাৰিলে নে? মোৰ অবৰ্তমানত নিজৰেই মোমায়েকৰ ল'ৰাৰ লগত.. ছিঃ । অসময়ত যদি মই ঘৰলৈ ঘুৰি নাহিলোহেতেন তেনেহ'লে এই ঘটনাৰ চাক্ষুস সাক্ষী হ'ব নালাগিলেহেতেন। মই বুজি উঠিলো মোৰ পত্নীৰ গৰ্ভত থকা সন্তানৰ পিতৃ কোন।

হৃদয়ৰ অভ্যন্তৰত এক যুদ্ধৰ সূত্ৰপাত ঘটিল। পত্নীৰ কাৰ্য কিমান গ্ৰহণযোগ্য? মানুহ কিমান তললৈ নামিলে এনেকুৱা কাৰ্য সংঘটিত কৰিব পাৰে। সন্তান এটিৰ আশা মইও নকৰা নহয়। কিন্তু এনে সন্তান মই বিচৰা নাই যি সন্তানে সামাজিক বান্ধোনক পদাঘাত কৰি ভূমিষ্ঠ হ'ব। যিজন পুৰুষৰ লগত মোৰ পত্নীৰ সম্পৰ্ক সেয়া সহজভাৱে মানিব লোৱাৰ কোনো যুক্তি নাই। তাৰ ঠাইত আন পুৰুষ হ'লেও কিজানি মনটোক কিছু প্ৰবোধ নিয়াব পাৰিলোহেতেন। এবাৰ ভাৱিছিলো ডিভোৰ্চ দিও। পিছ মুহূৰ্তে সেই সিদ্ধান্ত বাতিল কৰিছিলো। কাৰণ ডিভোৰ্চ দিবলৈ যাওতে যদি মোৰ অক্ষমতা প্ৰকাশ পায়। তেতিয়া মোৰ নতুন এটা পৰিচয় হ'ব সমাজত। গতিকে সেই চিন্তা সমূলঞ্চে পৰিহাৰ কৰি শেষত আত্মহত্যা কৰাটোকে ঠিক কৰিলো । আত্মহত্যা কৰিবলৈ বিভিন্ন পন্থা মনলৈ আহিল যদিও শেষত নৈৰ শীতল পানীতেই শেষ আশ্ৰয় লোৱাৰ সিদ্ধান্ত ল'লো। আৰু সেইমতেই ঘৰৰ পৰা ওলাই আহি আপোনাক দেখিলো। - মই মোৰ জীৱনৰ কথাবোৰ শেষ কৰি বৈ গ'লো। ইমান দীঘলীয়া কথা কেতিয়াও কোৱা নাছিলো। গতিকে পিয়াহ আৰু ভাগৰ দুয়োটাই লাগিছিল। কথাবোৰ কৈ থাকোতে কেতিয়া মই মানুহগৰাকীৰ ওচৰত বহি পৰিছিলো গমেই পোৱা নাছিলো।

"আপোনাৰ কথাবোৰ শুনি বৰ দুখ লাগিল। কিন্তু এটা কথা কি জানে আত্মহত্যা কোনো সমস্যা সমাধানৰ পথ নহয়। এয়া মই আপোনাক সান্ত্বনা দিবলৈ কোৱা নাই। মই মোৰ অভিজ্ঞতাৰ পৰা কৈছো। পাৰে যদি এই সিদ্ধান্ত সলনি কৰক আৰু ঘৰলৈ ঘুৰি যাওক। কিবা অন্য উপায় চিন্তা কৰক।"- মানুহজনীৰ কথাখিনি মোৰ বৰ এটা পচন্দ হোৱা নাছিল।

" এই মুহূৰ্তত মোৰ হাতত আন উপায় নাই । নাই মানে নিজ চকুৰে তেনে এটা ঘটনা দেখাৰ পিছত জীয়াই থকাৰ শেষ ইচ্ছা কণো নোহোৱা হৈছে । আপুনি মোৰ এটা কথা ৰাখিব। আপুনি মোৰ কথাবোৰ কাৰো আগতেই নক'ব। কিবাকৈ যদি কথাবোৰ গম পায় মানুহে মৰা পিছতো শান্তি নিদিব। প্লিজ।"-- কথাখিনি কৈ মানুহজনীৰ হাতত ধৰিব খুজিলো টানি অনুৰোধ কৰিবলৈ। কিন্তু এয়া কি তেওঁৰ হাতখন দেখোন মোৰ হাতৰ মুঠিত নোসোমায়। মোৰ সৰ্বশৰীৰ কঁপি উঠিল। মোৰ আৰু বুজিবলৈ বাকী নাথাকিল ইমান সময় মই কাৰ লগত কথা পাতি আছিলো।

## সোণাৰু..এজাৰ... কৃষ্ণচূড়াৰ...বতৰ



**ৰাজীৱ বৰঠাকুৰ(বিজু), তেজপুৰ**

এতিয়া সোণাৰু ফুলাৰ বতৰ
ফুলিছে এজাৰ ফুলিছে কৃষ্ণচূড়া...
আৰু তুমি,
তুমি ভাল পোৱা নেকি সোণাৰুৰ হালধীয়া,
হালধীয়া শব্দই গাঁঠিছা নেকি মালা
কুসুমবুলীয়া!
আৰু এজাৰৰ ফুল বোৰ...
এজাৰৰো আছে মাদকতা
আশাবোৰে বেঙুনীয়া বৰণ লয়,
কাজল সনা দুচকুত
সপোনৰ দৌৰা দৌৰি চলে,
বুকুত বাসনা জাগে হেপেহুৱা...
কৃষ্ণচূড়া...
কৃষ্ণচূড়াৰ ৰঙে ৰাঙলী কৰে নেকি কলিজাখন!
এপিয়লা তেজাল সুখত
ৰঙাই নেকি উদাসী উদাসী সন্ধ্যা বোৰ!
এইযে সোণাৰু, এজাৰ, কৃষ্ণচূড়া...
বৰ ভাল লাগে জানা,
সোণাৰুৰ হালধীয়া, কৃষ্ণচূড়াৰ ৰঙা,
এজাৰৰ বেঙুনীয়াই বুকুত লহৰ তোলে
ঝংকাৰিত হয় এটি এটি সুৰ সুমধুৰ গুণগুণ গুণগুণ....
নৈ পৰীয়া আবেলি আবেলি গোন্ধ...
কিবা এক মায়া আছে অ'
অনামী অনামী অবুজ মায়া,
প্ৰকৃতিৰ প্ৰাণৰ শোভা
এক নিভাঁজ আকুলতা
এজাৰ সোণাৰু কৃষ্ণচূড়া..!!

# উত্তৰ-পূবত ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজে

অনাগত ৫ বছৰত উত্তৰ-পূৰ্বাঞ্চলত ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজে ৭৫ হাজাৰ কোটি টকা বিনিয়োগ কৰিব বুলি সদৰী কৰে। এই বৃহৎ পৰিমাণৰ পুঁজি প্ৰধানতঃ ৩৫০টা বায়'গেছ প্লান্ট, টেলিকম সেৱাৰ সম্প্ৰসাৰণ, ৰিটেইল ফুটপ্ৰিন্ট আৰু ক্লীন এনাৰ্জী প্ৰকল্প গঢ়ি তোলাত বিনিয়োগ কৰা হ'ব। তেওঁ কয় যে বিগত ৪০ বছৰত ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজে উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৩০ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। অনাগত ৫ বছৰত ইয়াৰ পৰিমাণ দুগুণতকৈ অধিক কৰা হ'ব। আমাৰ বিনিয়োগৰ লক্ষ্য ৭৫ হাজাৰ কোটি টকা। ইয়াৰ ফলত ২৫ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুবিধা সৃষ্টি হ'ব বুলি তেওঁ মন্তব্য কৰে। ইতিমধ্যে উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ জনসংখ্যাৰ ৯০ শতাংশক জিঅ'ৰ ৫জি সেৱাই সামৰি লোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই বছৰত আমি এই সংখ্যা দুগুণ কৰিম। জিঅ'ই বিদ্যালয়-চিকিৎসালয়-বিভিন্ন প্ৰতিষ্ঠান-জনসাধাৰণৰ ঘৰলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ বৈপ্লৱিক শক্তি কঢ়িয়াই অনাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সেইদৰে আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়েও উত্তৰ-পূৰ্বাঞ্চলত বিনিয়োগ সন্দৰ্ভত 'ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টছ ছামিট'ৰ মঞ্চৰ পৰা গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তেওঁ কয় যে অহা ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ সেউজ শক্তি, পথ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু ডিজিটেল আন্তঃগাঁথনিকে ধৰি বিভিন্ন স্থানত আমি অতিৰিক্তভাৱে ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰিম। বিগত দশকটো উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামে ভাৰতৰ বিকাশত এক নতুন অধ্যায়ৰ সংযোজন কৰিবলৈ সক্ষম হৈছে। অঞ্চলটো এতিয়া হৈ পৰিছে সাংস্কৃতিক গৌৰৱ, অৰ্থনৈতিক প্ৰতিশ্ৰুতি আৰু কৌশলগত নিৰ্দেশনাৰ গুৰুত্বপূৰ্ণ উৎস। উল্লেখ্য যে শেহতীয়াকৈ অনুষ্ঠিত এডভান্টেজ আছাম ২.০ৰ সময়ত আদানি গ্ৰুপে ৫০ হাজাৰ টকাৰ আন এক বৃহৎ পৰিমাণৰ পুঁজি অসমত বিনিয়োগ কৰাৰ কথা ঘোষণা কৰিছিল।

# ৰাজস্থানৰ বিকানেৰৰ পৰা

বিধ্বস্ত কৰে। ভাৰতীয় সেনাৰ এই অপাৰেচন সিন্দূৰৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে যিয়ে সিন্দুৰ মচিবলৈ আহিছিল, সিহঁতক মাটিৰ সৈতে মিলাই দিয়া হৈছে। যিয়ে হিন্দুস্থানৰ ৰক্ত বোৱাই তাৰ পাই পাই হিচাপ কৰা হৈছে। যিয়ে ভাৰতে মনে মনে থাকিব বুলি ভাবিছে সেইসকল এতিয়া ঘৰত লুকাই আছে। যিয়ে নিজৰ অস্ত্ৰক লৈ গৌৰৱ কৰে, সেই অস্ত্ৰবোৰ এতিয়া আৱৰ্জনাত পৰিণত হৈছে। পাকিস্তানৰ সীমান্তৱৰ্তী ৰাজস্থানৰ বিকানেৰত প্ৰধানমন্ত্ৰী মোদীয়ে চুৰ-চাদুলপুৰ ৰে'লপথকে ধৰি কেইবাটাও ৰে'লপথ দেশবাসীক উৎসৰ্গা কৰাৰ লগতে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ পাছত বিশাল সমাৰেশ সম্বোধন কৰি ভাৰতীয় সেনাৰ সাহস-বীৰত্বক ভূয়সী প্ৰশংসা কৰি পাকিস্তানক সকীয়নি দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলাবলৈ দেশৰ তিনি সশস্ত্ৰ সেনাক ফ্ৰীহেণ্ড দিয়া হৈছে। এই তিনি সশস্ত্ৰ সেনাই পাকিস্তানৰ বিৰুদ্ধে এনে চক্ৰব্যূহ ৰচনা কৰে, যাৰ ফলত পাকিস্তান আঁঠুকাঢ়িবলৈ বাধ্য হৈছে। আমাৰ দেশৰ সকলোৰে সংকল্প লৈছিল যে সন্ত্ৰাসবাদক মাটিৰ সৈতে মিলাই দিব। আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশবাসীৰ একত্ৰিত এই যুজত আমি জয়ী হলো। মই দেশবাসীক অভিনন্দন জনাব বিচাৰিছো।

# অসমৰ কনচাৰ্ট পৰ্যটনৰ অৰ্থনীতিত

আন্তঃগাঁথনি উন্নয়ন, পৰিবহণ শুল্ক আৰু বিদ্যুৎ কৰ ৰেহাই আদিৰ লগতে বহুতো সুবিধা প্ৰদান কৰিব। সেইদৰে আজিৰ কেবিনেটে লাচিত বৰফুকন আৰক্ষী একাডেমীৰ উন্নয়নৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২২৯.৪১ কোটি টকা ব্যয়ৰ প্ৰশাসনিক অনুমোদন আগবঢ়াইছে। দুবছৰত ইয়াক সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অনুৰূপ ধৰণে কেবিনেটে ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত বিধানসভা ভৱন নিৰ্মাণকে ধৰি বিধায়ক আৱাস আদি নিৰ্মাণৰ বাবে ২৮৪.০৩ কোটি টকা অনুমোদন জনায়। সেইদৰে ডিব্ৰুগড়ৰ খনিকৰ ক্ৰীড়া পৰিসৰৰ উন্নীতকৰণৰ বাবে কেবিনেটে ২০৯.১৩ কোটি টকা ব্যয়েৰে মূল ষ্টেডিয়ামৰ আসনৰ সংখ্যা ৫ হাজাৰৰ পৰা ৩৫ হাজাৰলৈ বৃদ্ধি কৰাৰ অনুমোদন দিয়ে। মন কৰিবলগীয়া এয়ে যে খনিকৰ ক্ৰীড়া পৰিসৰ সমগ্ৰ অসমৰ ভিতৰতে আটাইতকৈ বৃহৎ ক্ৰীড়া পৰিসৰ হ'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামতকৈ ১০ হাজাৰ অধিক আসন খনিকৰ ক্ৰীড়া পৰিসৰত থাকিব। ইপিনে আজিৰ কেবিনেটে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনত ৪৭, ৩০৬.৩৩ হেক্টৰ এলেকা চূড়ান্ত অধিসূচনাৰ প্ৰস্তাৱত অনুমোদন দিয়ে। এই সম্প্ৰসাৰণৰ অধীনত গোপাল জাৱণি, গণাইটাপু, থুটে চাপৰি, জবৰে, বালিগাঁও, বিশ্বনাথ ঘাট, উমাটুমনি, গাখীৰখাইতী, শিলঘাট, হাতীধুৰা গাঁওসমূহ অন্তৰ্ভুক্তিৰ আওতাৰ বাহিৰত ৰখা হৈছে। সংবাদ মেলখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে অসমত এতিয়া উদ্যোগপতি, ব্যক্তিগত ব্যৱসায় আদি আহিছে। তেওঁলোকে ব্যক্তিগত নিৰাপত্তাৰক্ষী বিচাৰিব। চৰকাৰে সিদ্ধান্ত লৈছে জীৱনৰ প্ৰতি ভাবুকি থকা লোকসকলক ব্যক্তিগত নিৰাপত্তাৰক্ষী দিয়াৰ ক্ষেত্ৰত তেওঁলোকে নিৰাপত্তাৰক্ষীৰ দৰমহা সম্পূৰ্ণ বহন কৰিব লাগিব। ইয়াৰ বাবে মাহে চৰকাৰক ৭৫ হাজাৰ টকাকৈ দিব লাগিব।

# বিভিন্ন দল সংগঠনৰ পৰা ৰাইজৰ দলত

যোগদান কৰে। আম আদমি পাৰ্টিৰ ৰাজ্যিক সাংগঠনিক সম্পাদক তথা নাজিৰাৰ প্ৰাক্তন পৌৰপতি দিলীপ কুমাৰ হাজৰিকা, নলবাৰী জিলাৰ তৃণমূল কংগ্ৰেছৰ সভাপতি জিৎমণি শৰ্মা, আমিনগাওঁ বাৰ এছচিয়েছনৰ সম্পাদক আকবৰ হুছেইন, ইউনিছিফৰ প্ৰাক্তন কৰ্মকৰ্তা ড° পল্লৱী বৰগোহাঁই, AIUDF যুৱ মৰ্চাৰ কেন্দ্ৰীয় সম্পাদক অভিযন্তা আবু ইউছুফ মোঃ ৰাইহান উদ্দিন, আমছাৰ কৰিমগঞ্জ জিলাৰ সভাপতি মৌলানা ৰাহিদুজ জামান, বিজেপিৰ কৰিমগঞ্জ জিলা সংখ্যালঘু কোষৰ উপ-সভাপতি আমাদ উদ্দিন, অগপ ৰ নেতা মুকুট বৰাৰ নেতৃত্বত যোগদান কৰা লোক সকলে আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ উপস্থিতিত ২০২৬ ত সাম্প্ৰদায়িক শক্তিক উচ্ছেদ কৰাৰ শপত গ্ৰহণ কৰে। দলৰ সভাপতি অখিল গগৈৰ লগতে যোগদান অনুষ্ঠানত ৰাইজৰ দলৰ উপ সভাপতি হৰেশ্বৰ বৰ্মন, অনিল বড়ো, সাধাৰণ সম্পাদক ৰাছেল হুছেইন, চিন্ময় বড়া, ধৈৰ্য কোঁৱৰ, আজিজুৰ ৰহমান, সম্পাদক অনুপ বৰপাত্ৰগোঁহাই, দেবাংগ সৌৰভ গগৈ, সহকাৰী সম্পাদক ছাহজাহান আলি, আনিচুৰ ৰহমান, সাংগঠনিক সম্পাদক দাদুল আলী, মুনিন গগৈ, অম্লানজ্যোতি গগৈ, মুখপাত্ৰ ছাদ্দাম হুছেইন, নৱদ্বীপ বৰপাত্ৰগোঁহাই, সোণেশ্বৰ পাটোৱাৰী, জাতীয় যুৱ বাহিনীৰ সৌৰভ বৰা, অংকুমান বৰদলৈকে আদি কৰি কেন্দ্ৰীয় সমিতি আৰু কামৰূপ জিলা সমিতিৰ বিষয়ববীয়া সকল উপস্থিত আছিল।

# নতুন দিল্লীত কেন্দ্ৰীয়

এক আলোচনাত মিলিত হয়। ইপিনে যোৰহাট-মাজুলী সংযোগী দলঙৰ বাবে পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে নিবিদা প্ৰকাশ কৰিছে। দুইলেনযুক্ত দলংসহ ৬.৮১ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিৰ্মাণকাৰ্যৰ বাবে নিবিদাত ৬০০.৫১ কোটি টকা প্ৰাক্কলন হিচাপে ধাৰ্য কৰিছে। বহু প্ৰতীক্ষিত যোৰহাট-মাজুলী সংযোগী দলংখনৰ পুনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিবলৈ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে নিবিদা প্ৰকাশ কৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ২০২১ চনৰ নৱেম্বৰ মাহত যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণৰ কাম আৰম্ভহয়। দলংখনৰ নিৰ্মাণকাৰ্য চলিত বৰ্ষৰ জুলাই মাহত সম্পূৰ্ণ কৰাৰ সময় নিৰ্ধাৰণ কৰা হৈছে। উত্তৰ প্ৰদেশ ৰাজ্যিক ব্ৰিজ কনষ্ট্ৰাকচন লিমিটেড (ইউপিএছবিচিএল)-এ যোৱা বছৰৰ ছেপ্টেম্বৰ মাহৰ পৰা দলংখনৰ নিৰ্মাণকাৰ্যৰ পৰা আঁতৰি যায়। ফলত দলংখন সম্পূৰ্ণ হোৱাক লৈ অনিশ্চয়তা আহি পৰে। পৰৱৰ্তী পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰে উক্ত প্ৰতিষ্ঠানটোক কামৰ দায়িত্বৰ পৰা অব্যাহতি দিয়ে আৰু আজি নতুনকৈ দলংখন নিৰ্মাণৰ বাবে নিবিদা প্ৰকাশ কৰে।

# মুকলি আকাশৰ তলৈলে

পাছত আৰক্ষীয়ে দীঘলীয়া সময়ৰ বাবে নিজৰ জিম্মাত লৈ তদন্ত কৰাৰ পাছত ২৬ ছেপ্টেম্বৰত কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। মন কৰিবলগীয়া যে ২০২৪ চনৰ ২ ছেপ্টেম্বৰৰ নিশা গান্ধী নগৰস্থিত এপাৰ্টমেন্টৰ ৫০৩ নম্বৰ কোঠাত অভিযান চলাই ডিব্ৰুগড় আৰক্ষীয়ে আটক কৰি বিশাল ফুকনক পৰৱৰ্তী সময়ত গ্ৰেপ্তাৰ কৰাৰ পাছত বিভিন্ন বিষয় পোহৰলৈ আহিছিল। এই সময়ছোৱাত আৰক্ষীয়ে এপাৰ্টমেন্টটোৰ পৰা আৰবীয় মুদ্ৰা, কেইবাটাও বেংকৰ একাউন্ট, ছটাকৈ আইফোনসহ বহু নথি-পত্ৰৰ লগতে সোণ-ৰূপ, হীৰা আদি উদ্ধাৰ কৰিছিল। এই বিয়াগোম কেলেংকাৰিত জড়িত থকাৰ অভিযোগত পৰৱৰ্তী সময়ত বিশাল ফুকনক পাতি লোৱা বায়েক চুমিৰ লগতে স্বামী তাৰ্কিক বৰাসহ বহুকেইজনক গ্ৰেপ্তাৰ কৰিছিল।

# দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী

আনহাতে, অমিত শ্বাহে ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি তথা এনডিএৰ বিপুল জয়ৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাক অভিনন্দন জ্ঞাপন কৰে। নিজৰ সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীজনে এই কথা বিষয়ে অৱগত কৰি লিখিছে- আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ সুযোগ লাভ কৰোঁ। সাক্ষাৎকালত মই অসম সম্পৰ্কীয় বিভিন্ন বিষয়ৰ লগতে সম্প্ৰতি অনুষ্ঠিত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনত এনডিএৰ বৃহৎ জয় সন্দৰ্ভতো তেওঁৰ সৈতে আলোচনা কৰোঁ। এই সুযোগত মাওবাদী নিৰ্মূলৰ ক্ষেত্ৰত লোৱা পদক্ষেপ আৰু ইয়াৰ ফলত শান্তিৰ দিশ সূচনা হোৱা বৃহৎ সফলতাৰ বাবেও তেওঁক অভিনন্দন জনাওঁ।

# জাতীয় মহিলা পৰিষদ

চেষ্টা চলোৱাৰ অভিযোগ কৰে। সেয়ে এই ঘটনাৰ উচিত তদন্ত কৰি দৃঢ় পদক্ষেপ লৈ মহিলা গৰাকীক গ্ৰেপ্তাৰৰ দাবী কৰাৰ লগতে অনাগত সময়ত যাতে কোনো বহিৰাগতই অসমীয়াৰ ওপৰত দুস্কাৰ্যৰে ভৰা শক্তি দেখুৱাব নোৱাৰে তাৰ পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়। অন্যথা মহিলা জাতীয় পৰিষদে সমগ্ৰ অসম জুৰি আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলিও স্মাৰকপত্ৰ যোগে সকীয়াই দিয়ে।

# ৰোশন হকলৈ ভাৰত

সময়ত বহু মূকাভিনয়ৰ প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কাৰ লাভ কৰা ৰোশন হকে ইয়াৰ পূৰ্বে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা কণিষ্ঠ শাখাত ৰাষ্ট্ৰীয় জলপানি লাভ কৰিছিল। ভাৰত চৰকাৰৰ পৰা ৰোশন হকে ২০২১-২২ চনত যুৱ প্ৰতিভা শিল্পী বঁটাৰে সন্মানিত হৈছে। শৈক্ষিক দিশত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম কম আৰু নতুন দিল্লীৰ এফ. এচ. এম. ৰ পৰা এম বি এ পাঠ্যক্ৰমত উত্তীৰ্ণ হৈছে। অসমৰ বহু ঠাইৰ লগতে দিল্লী, ভুৱনেশ্বৰ, কলিকতা আৰু কানাডাতো ৰোশনে আমন্ত্ৰণমূলক মূকাভিনয় প্ৰদৰ্শন কৰিছে। নতুন দিল্লীৰ সংগীত নাটক অকাডেমীৰ উদ্যোগত আয়োজন কৰা অনুষ্ঠানত মূকাভিনয় পৰিৱেশন কৰি সমাদৰ লাভ কৰা ৰোশন হকে মূকাভিনয়ৰ প্ৰশিক্ষণ প্ৰদানতো অংশগ্ৰহণ কৰি আহিছে। ৰোশন হক বিশিষ্ট মূকাভিনয় শিল্পী মইনুল হক আৰু নৃত্যগুৰু ড° অঞ্জনাময়ী শইকীয়াৰ পুত্ৰ।

## শ্ৰীভূমিৰ কাৰাগাৰৰ

তেনে সময়তে কৰ্তব্যৰত আন আৰক্ষী জোৱানসকলে সন্দেহ প্ৰকাশ কৰাৰ পিছতে সমগ্ৰ বিষয়টো পোহৰলৈ আহে। ইয়াৰ পিছতে জিলা আৰক্ষীয়ে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰি অভিযুক্তদ্বয়ক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ বিৰুদ্ধে ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে। ইপিনে দুৰ্ভগীয়া মহিলাগৰাকীক চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় আৰু বৰ্তমান স্থানীয় আশ্ৰয় গৃহত ৰখা হৈছে।

## মৰিগাঁৱৰ পৰা ৯ জন

জাগীৰোড থানাৰ অন্তৰ্গত উফা আলী, ধৰমতুল থানাৰ অন্তৰ্গত হাফিজুদ্দিন, আব্দুল লটিফ, মায়ং থানাৰ অন্তৰ্গত নুৰ ইছলাম, লাহৰীঘাট থানাৰ অন্তৰ্গত গুলজাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণত বাংলাদেশী নাগৰিক সাব্যস্ত হোৱা এই লোককেইজনৰ ভিতৰৰে দুজনমানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চ ন্যায়ালয়ে বিদেশী ন্যায়াধিকৰণ ৰায়টোকে বাহাল ৰাখিছিল। ধৃত বাংলাদেশী লোককেইজনক আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

## জিএমচি-জিএমডিএৰ

কৰি আহিবলগীয়া হৈছে। বাৰিষাৰ সময়ছোৱাত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বানৰ মাজেৰে যাতায়াত কৰি আহিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয় বাসিন্দাসকলে শীঘ্ৰে পথটো মেৰামতি কৰি বিজ্ঞান-সন্মতভাৱে নলা-নৰ্দমা নিৰ্মাণ কৰিবলৈ জিএমচি আৰু জিএমডিএ কৰ্তৃপক্ষক আহ্বান জনাইছে। যদিহে এই ক্ষেত্ৰত জিএমডিএ, জিএমচি কৰ্তৃপক্ষই সুদূৰপ্ৰসাৰী আঁচনি গ্ৰহণ নকৰে তেন্তে অনাগত দিনত অঞ্চলটোত বসবাস কৰা লোকসকলে গ্ৰহণ কৰিবলগীয়া যিকোনো ধৰণৰ গণতান্ত্ৰিক আন্দোলনৰ বাবে চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষ জগৰীয়া হ'ব বুলি হুংকাৰ দিয়ে।

## SeSTA গ্ৰীণ মিলিয়ন

মুখপাত্ৰই কয়। পৰিৱেশৰ প্ৰচেষ্টাতকৈও অধিক, ই ভূমি পুনৰুদ্ধাৰ কৰা, জীৱিকাক সমৰ্থন কৰা, আৰু জলবায়ুৰ প্ৰতি স্থিতিস্থাপক পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ এক সামূহিক অভিযান। সামূহিক কাৰ্য্যত শিপাই থকা এই অভিযানে কৃষক, মহিলা গোট, আৰু পেছাদাৰী-সকলক একত্ৰিত কৰি বাক্সা, বংগাইগাঁও, চিৰাং, আৰু ধুবুৰীলৈ সেউজীয়া কৰি তোলে। সম্প্ৰদায় আৰু ব্যক্তিগত মাটিত ৰোপণ কৰা এই গছবোৰ হৈছে আশা, যত্ন আৰু ভৱিষ্যত প্ৰজন্মৰ প্ৰতি দায়বদ্ধতাৰ প্ৰতীক জীৱন্ত সম্পত্তি।

## উত্তৰ গুৱাহাটী

হিচাপে উপস্থিত থাকে প্ৰাক্তন আন্তৰাষ্ট্ৰীয় খেলুৱৈ দিগন্ত বৰা, সাংবাদিক কৌশিক দাস, আৰু মুকুটেশ্বৰ গোস্বামী। তেওঁলোকৰ লগতে ৰাজ্যৰ আগশাৰীৰ কেইবা-গৰাকী খেলুৱৈক অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে, অনুষ্ঠিত হ'ব লাভলীনা বৰগোঁহাই সদৌ অসম টাইকোৱাণ্ডো হিৰণ্য শইকীয়া ইভেন্ট, যি এই প্ৰতিযোগিতাৰ মুখ্য আকৰ্ষণ।

## পুনৰ ২০০বিধ ঔষধ-

ইনজেকচন আৰু প্ৰসাধন সামগ্ৰী। উল্লেখনীয় যে সংস্থাটোৱে প্ৰতিমাহত বিভিন্ন ঔষধৰ গুণগত মান পৰীক্ষা কৰে। কোনবিধ দৰব কোনটো বেটছৰ, সেই দৰবে নিৰ্দিষ্ট মান স্পৰ্শ কৰিব পাৰিছে নে নাই সেয়া পৰীক্ষা কৰি চোৱা হয়। ইয়াৰ পাছতে ঔষধ বিক্ৰীৰ ক্ষেত্ৰত অনুমতি দিয়ে সংস্থাটোক। প্ৰতি মাহতে দৰবৰ এনে তালিকা প্ৰকাশ কৰি আহিছে চিডিএছচিঅ'-এ। লক্ষণীয়ভাৱে দেশৰ বিভিন্ন দৰব প্ৰস্তুত কাৰখানাত অতি নিম্ন মানৰ দৰব প্ৰস্তুত হৈ থকা বুলি সঘনে অভিযোগ উত্থাপন হয়। এই অভিযোগবোৰৰ সত্যতা চিডিএছচিঅ'ৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ লগে লগে প্ৰমাণিত হয়।

## গুৱাহাটী প্ৰেছ ক্লাবত 'সময়ৰ লেচেৰি বুটলি' উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- আজিৰ অসম পৰিকল্পনা সেৱাৰ অৱসৰী বিষয়া সংস্থাৰ সৌজন্যত পৰিকল্পনা বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক যোগেশ দাসৰ শেহতীয়া গ্ৰন্থ "সময়ৰ লেছেৰি বুটলি" গুৱাহাটী প্ৰেছ ক্লাৱত আনুস্থানিকভাৱে উন্মোচন কৰে অসমৰ প্ৰাক্তন মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই। উন্মোচনী ভাষণত সঞ্জয় কৃষ্ণদেৱে যোগেশ দাসৰ সাহিত্যকৃতিৰ শলাগ লয় আৰু তেওঁ অসমৰ বিভিন্ন সমস্যাৰ ওপৰত যোগেশ দাসে বুদ্ধিদীপ্তৰ আলোকপাত কৰা বুলি কয়। আন দুগৰাকী বিশিষ্ট অতিথি অদীপ কুমাৰ ফুকন আৰু দিলীপ চন্দনে যোগেশ দাসক এজন সাৰ্থক আৰু প্ৰতিষ্ঠ কবি হিচাপে অভিহিত কৰে। "সময়ৰ লেছেৰি বুটলি" ৰ যোগেদি যোগেশ দাসে অসমৰ জলন্ত সমস্যা সমূহৰ আলোকপাত কৰা বুলি কয়। দিলীপ চন্দনে অৱসৰী বিষয়া সংস্থাক অসমৰ Think Tank হিচাপে কাম কৰিবলৈ আহ্বান জনায়।

## মহানগৰীৰ ওদালবাক্ৰাত

শনিবাৰে দিনৰ প্ৰায় ১.৫০ বজাত ওদালবাক্ৰাৰ সাবিত্ৰী ভৰালী বিদ্যালয়ৰ সমীপত এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ পিছতে অঞ্চলটোত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। অগ্নিকাণ্ডৰ ফলত জুইৰ লেলিহান শিখাই নিমিষতে পাঁচখনকৈ দোকান আগুৰি ধৰে। অগ্নিকাণ্ডত দিগন্ত বৈশ্যৰ ডি বি এণ্টাৰপ্ৰাইজ, নীলু ফাৰ্নিছাৰ, এটা গেৰেজ আৰু সমীপৰ আন দুখন দোকানৰ নগদ ধনকে ধৰি সকলো সা-সামগ্ৰী জুইত জাহ যায়। স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত ১০খনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে কেইবাঘণ্টাজোৰা চেষ্টাৰ অন্তত জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ পিছতে লালগণেশ-কাহিলিপাৰা সংযোগী পথটো সম্পূৰ্ণৰূপে বন্ধ কৰি অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নিয়ন্ত্ৰণ কৰে। অগ্নিকাণ্ডৰ পিছতে লালগণেশ কাহিলিপাৰা সংযোগী পথত তীব্ৰ যানজটৰ সৃষ্টি হয়। শ্বৰ্ট চাৰ্কিটৰ ফলতেই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি অগ্নিনিৰ্বাপক বাহিনীয়ে জানিবলৈ দিছে। এই অগ্নিকাণ্ডত কেইবালাখ টকাৰ সা-সামগ্ৰী ভস্মীভূত হয়। অগ্নি নিৰ্বাপক বাহিনীৰ তৎপৰতাৰ বাবে বৃহত্তৰ অঞ্চলটো ৰক্ষা পৰে।

## দেশত পুনৰ ভয়াবহ ৰূপত

তামিলনাডু আৰু গুজৰাটত এনবি ১.৮.১ আৰু এলএফ. ৭ প্ৰকৰণত আক্ৰান্ত লোক চিনাক্ত হৈছে। ইপিনে ক'ভিড-১৯ৰ সাধাৰণ প্ৰকৰণত আক্ৰান্ত হোৱা লোকৰ সংখ্যাও দেশজুৰি বৃদ্ধি পাইছে। কেৰালা, মুম্বাই আৰু দিল্লীত ক'ভিড-১৯ৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাই আছে। ৰাজধানী দিল্লীত এতিয়ালৈকে ২৩জন লোক ক'ভিডত আক্ৰান্ত হৈছে। তেনেদৰে কেৰালাত আক্ৰান্তৰ সংখ্যা ২৭৩জন। মুম্বাইতো অৰ্ধশতাধিক লোক এই ভাইৰাছটোত আক্ৰান্ত হৈছে। কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, কেৰালা, তামিলনাডুত মে' মাহৰ প্ৰাৰম্ভতে ক'ৰোনা ভাইৰাছত আক্ৰান্ত হোৱা লোক চিনাক্ত হৈছে। ইতিমধ্যে উল্লিখিত ৰাজ্যসমূহক চিকিৎসালয়ত বিছনা, অক্সিজেন সাজু কৰি ৰাখিবলৈ নিৰ্দেশ দিয়াৰ পাছত দিল্লী, কেৰালা আৰু মুম্বাইতো স্বাস্থ্য বিভাগক চিকিৎসালয়ত বিছনা আৰু অক্সিজেন সাজু কৰি ৰাখিবলৈ নিৰ্দেশ দিছে। সকলো চিকিৎসালয়ক এলাৰ্ট হোৱাৰ নিৰ্দেশ দিয়া হৈছে। মহাৰাষ্ট্ৰৰ মুম্বাইৰ উপৰি থানেকে ধৰি বিভিন্ন অঞ্চলত শেহতীয়াভাৱে ক'ভিডত আক্ৰান্ত হোৱা লোকৰ সংখ্যা বৃদ্ধি পাই আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ক'ভিড চিনাক্ত হোৱা ৰাজ্যসমূহক সজাগ আৰু সতৰ্কতা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

## নতুন দিল্লীত 'ৰাইজিং নৰ্থ-ইষ্ট

চৰকাৰে গ্ৰহণ কৰা ধাৰাবাহিক প্ৰচেষ্টাৰ পৰিণতিত বিগত ১০-১১ বছৰত ১০ হাজাৰৰো অধিক যুৱকে শান্তিক আঁকোৱালি লৈ অস্ত্ৰ-শস্ত্ৰ সমৰ্পণ কৰিছে। এই পৰিৱৰ্তনে অঞ্চলটোত নতুন নিয়োগ আৰু উদ্যমিতাৰ সুযোগ প্ৰশস্ত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ লাখ লাখ যুৱক-যুৱতীক হাজাৰ হাজাৰ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা মুদ্ৰা আঁচনিৰ প্ৰসংগ অৱতাৰণা কৰি কয় যে ইয়াৰ শিক্ষা প্ৰতিষ্ঠানসমূহৰ উত্থানে যুৱ সমাজৰ ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশত সহায় কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকল কেৱল ইণ্টাৰনেট ইউজাৰেই নহয়, বৰঞ্চ উদীয়মান ডিজিটেল উদ্ভাৱকো। তেওঁ ১৩, ০০০ কিলোমিটাৰৰো অধিক অপ্টিকেল ফাই বাৰৰ সম্প্ৰসাৰণ, ৪-জি আৰু ৫-জি কভাৰেজ তথা প্ৰযুক্তি খণ্ডত ক্ৰম বৰ্ধমান সুযোগৰ দৰে অগ্ৰগতিত গুৰুত্ব আৰোপ কৰে। 'যুৱ উদ্যোগীসকলে এতিয়া অঞ্চলটোৰ ভিতৰতে বৃহৎ ষ্টাৰ্টআপৰ আৰম্ভ কৰিছে, যিয়ে ভাৰতৰ ডিজিটেল গেটৱে হিচাপে উত্তৰ-পূৱৰ ভূমিকাক সুদৃঢ় কৰি তুলিছে' বুলি প্ৰধানমন্ত্ৰী মোদীয়ে কয়। ৰাইজিং নৰ্থ-ইষ্ট কেৱল এক বিনিয়োগকাৰী সন্মিলনেই নহয়, বৰঞ্চ এয়া এক আন্দোলন আৰু কাৰ্যৰ আহ্বান বুলি উল্লেখেৰে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে উত্তৰ-পূৱৰ প্ৰগতি আৰু সমৃদ্ধিৰ জৰিয়তে ভাৰতৰ ভৱিষ্যৎ নতুন শিখৰত উপনীত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সমবেত উদ্যোগপতিসকলৰ ওপৰত পূৰ্ণ আস্থা প্ৰকাশেৰে বিকাশৰ যাত্ৰাৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। ভাষণৰ সামৰণিত তেওঁ অংশীদাৰসকলক একত্ৰিত হৈ উত্তৰ-পূৱৰ সম্ভাৱনাৰ প্ৰতীক অষ্টলক্ষ্মীক এখনি বিকশিত ভাৰতৰ পথ প্ৰদৰ্শক শক্তিলৈ ৰূপান্তৰিত কৰি বলৈ আহ্বান জনায়। তেওঁ পৰৱৰ্তী ৰাইজিং নৰ্থ-ইষ্টলৈ ভাৰত বহুদূৰ আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ভাষণ প্ৰদান কৰি 'ৰাইজিং নৰ্থ ইষ্ট'ৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰীবৃদ্ধি কামনা কৰে। অনুষ্ঠানত গৌতম আদানি, মুকেশ আম্বানিৰ নিচিনা উদ্যোগপতিসকলে বক্তব্য ৰাখি উত্তৰ- পূৰ্বাঞ্চলত বৃহৎ উদ্যোগত বিনিয়োগৰ আশ্বাস প্ৰদান কৰে। লক্ষণীয়ভাৱে ৰাষ্ট্ৰপতিৰ শাসন চলি থকা মণিপুৰৰ ৰাজ্যপালৰ বাহিৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি আন ৬খন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে উদ্বোধনী অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে।

ENGLISH NEWS SECTION

# Governor attends inauguration of Haibargaon Railway Station under Amrit Bharat Station Scheme



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the inauguration of Haibargaon Railway Station, which has been redeveloped under the Amrit Bharat Scheme at a programme held at Haibargaon railway station in Nagaon district. It may be noted that Prime Minister Narendra Modi today virtually inaugurated 103 stations under the Amrit Bharat Station Scheme across 18 states and Union Territories of the country. The Amrit Bharat Station Scheme is a government project to improve railway stations across the nation. The project aims to make the stations more modern and comfortable for the passengers. Under the scheme the upgraded stations henceforth will feature modern facilities with local culture. They offer better services for passengers, including special features for divyangjans. The goal of the schemeis to make the railway stations cleaner, more comfortable and easier for everyone to use while following eco-friendly practices. Attending the occasion at Haibargaon Railway station, Governor Shri Acharya termed the development as historic and a moment of pride for the people of Haibargaon and its adjoining areas. He expressed his heartfelt gratitude to Prime Minister Narendra Modi and Union Railway Minister Ashwini Vaishnaw for their visionary leadership that led to Haibargaon being included as one of the stations under the scheme. He described the occasion as more than the inauguration, which represents the collective aspirations of the people of Assam.

## India announce squad for Test series against England




RB News: India on Saturday announced their squad for the five-match Test series against England. Shubman Gill has been named the captain of the squad, while Rishabh Pant has been named the vice-captain. Sai Sudharsan, Dhruv Jurel, Abhimanyu Easwaran and Karun Nair have also been included. The squad also features pacers Jasprit Bumrah, Shardul Thakur, Prasidh Krishna, Mohammed Siraj and Akash Deep.

## Actor Mukul Dev passes away



RB News: Actor Mukul Dev, known for roles in films like 'Son of Sardaar', 'Jai Ho' and television serials, passed away aged 54. His death was confirmed by Vindu Dara Singh. He was reportedly in ICU as he wasn't keeping well for a few days. He began his career in 1996 with TV series 'Mumkin' and made his film debut in 'Dastak'.

## Angelo Mathews announces retirement from Test cricket



RB News: Sri Lankan all-rounder Angelo Mathews announced his retirement from the red-ball format on Friday. In a statement posted on social media on Friday, Mathews announced that the first Test of Sri Lanka's upcoming series against Bangladesh would be the last one of his career. He will remain in discussions with Sri Lanka Cricket over his availability for white-ball cricket. "With a grateful heart and unforgettable memories. It is time for me to say goodbye to the most cherished format of the game, International Test Cricket!", Mathews said in a statement he shared on X. Mathews, who represented Sri Lanka in 118 Tests, scored 8,167 runs, averaging 44.62, including 16 centuries and 45 fifties.

## Kush Maini becomes 1st Indian to win Formula 2 race in Monaco



Indian motorsports racing driver Kush Maini has created history by becoming the first-ever Indian to win a Formula 2 race in Monaco. Kush won the Formula 2 Sprint race for DAMS Lucas Oil in Monaco. It was the BWT Alpine F1 team reserve driver's first F2 victory of the season and his first podium finish with DAMS Lucas Oil.

## SRH beat RCB by 42 runs



RB News: Sunrisers Hyderabad beat Royal Challengers Bengaluru by 42 runs in the Indian Premier League 2025 at the Bharat Ratna Shri Atal Bihari Vajpayee Ekana Cricket Stadium in Lucknow on Friday. SRH put up a total of 231/6 and bowled RCB out for 189 in 19.5 overs. Ishan Kishan top-scored for SRH with 94*(48), while their captain Pat Cummins picked up three wickets.Harshal Patel and Ishan Malinga took two wickets each.

## LSG beat GT by 33 runs



RB News: On Lucknow Super Giants triumphed over Gujarat Titans by 33 runs in the IPL 2025 match held in Ahmedabad on Thursday. Mitchell Marsh was the star performer for LSG on the night with his maiden IPL hundred, helping his team get an above-par total of 235 runs, before Will O'Rourke took three wickets as GT were restricted to 202/9.

# মনৰ স্মৃতি বুটলি....

বিশ্বজিৎ বৈশ্য, বংশৰ,গুৱালকুছি

আজিও মনত পৰে সেই লৰালিৰ কিছুমান মধুসনা স্মৃতিলৈ। যত আছে গাঁৱৰ নিঃস্বাৰ্থ মৰম-স্নেহ, ভালপোৱা, আৱেগ, অনুভূতি। গাঁৱৰ কাষতে নিৰবিচ্ছিন্নভাৱে বৈ থকা নদীখনৰ দুয়োপাৰৰ সুন্দৰ পৰিৱেশ। সেউজীয়া গছ-গছনি, এজাৰ আৰু সোণাৰুৰ হালধীয়া হাঁহি। গছবোৰে যেন প্ৰকৃতিৰ লগত সময় মিলাই জকমকাই ফুলি পাহি মেলে। সততে দেখি থকা গাঁৱখনৰ পৰিবেশে-টোৱে মোক বৰকৈ আমনি কৰে। অভিমানী ওচৰৰে সৌ পথাৰখনে আকৌ ৰিঙিয়াই মাতে, ক্ৰিকেটৰ পৰা আদি কৰি বহুতো খেলৰ মাদকতা পোৱা স্মৃতিবোৰ জুকিয়াই চাবলৈ। পিছে এতিয়া সেই আনন্দ লাহে লাহে কমা যেন অনুভৱ হয়। যথা সময়ত খেতিয়কৰো হাতত সময় নোহোৱা পৰিস্থিতিৰ সন্মুখীন হব লগা হয়, আনকি খোৱা-লোৱাৰো আহৰি নাইকীয়া হৈ পৰে। এয়া যে এক প্ৰকৃতিৰে নিয়ম।

সাংস্কৃতিক পৰি-ৱেশেৰে মুখৰিত গাঁৱখনৰ প্ৰতিটো অনুষ্ঠানেই যেন একো একোটা উৎসৱ স্বৰূপ। প্ৰকৃততে আমাৰ এই ধৰাত একত্ৰিত হয় মানুহৰ মন আৰু প্ৰাণ, মহামিলনৰ গান। চকু মুদি শূন্যত উৰি ফুৰা মনটো আজি আকৌ বাহিৰৰ ফালে চালে ৰিঙিয়াই মাতে হাত বাউল দি সেই স্মৃতিবোৰক।



JANASANYOG-277/25/25-May-25




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286